ৰাজধানী আছিল প্ৰাগজ্যোতিষপুৰ। এই সকল জাতি-গোষ্ঠীৰ মিলনতে 'অসম' নামেৰে নামকৰণ কৰিলে আহোম সকলে। গঢ়ি উঠিল অসমীয়াৰ জাতি, ভাষা, সংস্কৃতি। সেই কথা আমি পাহৰিলে নহ'ব। অসম অসমীয়াৰ ঐক্যৰ প্ৰতীক। নানা ঘাত-প্ৰতিঘাত, আন্দোলন, আক্ৰমণৰ মাজেৰে আমি অসম নাম জীয়াই ৰাখিছোঁ, অসমীয়া ভাষা জীয়াই আছে। অসম আৰু অসমীয়া ভাষা কাৰো ব্যক্তিগত সম্পত্তি নহয়। ই সকলোৰে উমৈহতীয়া সম্পদ। বহুতো যুঁজ বাগৰেৰে পূৰ্বপুৰুষ সকলে দি গৈছে এই অমূল্য সম্পদ। এই সম্পদ থান-বান হ'বালৈ নিদি বৰ্তাই ৰখা প্ৰত্যেক অসমবাসীৰে প্ৰধান কৰ্তব্য।

সম্প্ৰতি জাতি, গোষ্ঠী সম্প্ৰদায়লৈ চতুৰ্দিশে এক আলোড়নৰ সৃষ্টি হৈছে। গঢ়ি উঠিছে বিভিন্ন সংগঠন। চৰকাৰেও ইন্ধন যোগাইছে। ছেগা-ছেৰাকৈ। ইয়াৰ ফলত থানবান হ'ব লৈ উপক্ৰম হৈছে অসমীয়া জাতি।

আমি আগতে উনুকিয়াই আহিছোঁ সকলোৰে মূল শিক্ষা। কিন্তু আপততঃ শিক্ষা দুডাল সৰলৰেখাৰ দৰে সৰল পথেৰে গতি কৰি আছে। লগ লগাৰ সম্ভাৱনা ক্ষীণ। চিনি পোৱাও কঠিন। দুই পথৰ দুই যাত্ৰী। আমি চিনিব লাগিব মহাপুৰুষ মহামানৱৰ বাণী আৰু জীৱন পৰিক্ৰমাৰ চানেকীৰে।

'মহা মহাপুৰুষৰ চানেকীৰে জীৱনৰ
আমিও কৰিব পাৰো জীৱন গঢ়িত,
অভিনয় শেষ হ'লে আয়ুবেলি মাৰ গ'লে
থৈ যাবপাৰো খোজ সময় বালিত।'

# ধৰ্ম আৰু শিক্ষা

দীপাঞ্জলি কলিতা (প্ৰাক্তন ছাত্ৰী)
শিক্ষা বিভাগ
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

মানৱ জীৱনত ধৰ্মৰ এক গুৰুত্বপূৰ্ণ ভুমিকা আছে। জীৱনৰ হতাশা, নিৰাশা, মানসিক অস্থিৰতাৰ পৰিস্থিতিত মানুহে প্ৰায়ে ধৰ্মৰ ফালে গতি কৰে।

প্ৰত্যেক দেশতে বিভিন্ন সম্প্ৰদায়ৰ মাজত ধৰ্ম প্ৰচলিত আছে। বিভিন্ন ধৰ্মানুৰাগী সকলে বিভিন্ন ধৰণে ধৰ্মৰ ব্যাখ্যা দাঙি দবে। কিছুমানে ধৰ্মৰ অৰ্থ পূজা, প্ৰাৰ্থনা, নামাজ, ৰোজা ইত্যাদি নিয়মক বুজায়। খৃষ্টানসকলে মানুহৰ মাজত ভালপোৱা সহানুভূতি আৰু নিকট সম্পৰ্কক বুজায়। মুছলমানসকলৰ মতে ধৰ্ম আচৰণৰ শিক্ষাৰ লগত জড়িত আৰু নামাজ, ৰোজা, হজ আদিৰ লক্ষ্য হৈছে বহলভাৱে ভাতৃত্ববোধৰ অনুভূতি জাগ্ৰত কৰা। হিন্দুসকলৰ মতে ধৰ্মৰ অৰ্থ যথেষ্ট বহল। হিন্দু ধৰ্ম কৰ্মৰ লগত জড়িত।

গতিকে ধৰ্মৰ এটা সাৰ্বজনীন সংজ্ঞা নাথাকিলেও সকলো ধৰ্মৰ সাধাৰণ মতটো হৈছে ধৰ্মৰ জৰিয়তে আধ্যাত্মিকতা লাভ যিয়ে মানসিক সুখ-শান্তি প্ৰদান কৰিব পাৰে। ইয়াৰ ভিত্তিতে সকলো ধৰ্মই পৰমাত্মা অৰ্থাৎ ভগৱানৰ অস্তিত্ব স্বীকাৰ কৰে। ভগৱানেই মানুহৰ ত্ৰাণকৰ্তা, এয়া সকলো ধৰ্মই বিশ্বাস কৰে। মানুহৰ জীৱনৰ মূল্যবান বিশ্বাস যেনে ভালপোৱা, ধৈৰ্য্য, সহানুভূতি, সততা, কৰ্ত্তব্যনিষ্ঠা আদি ধৰ্মৰ মাজতেই পোৱা যায়। প্ৰত্যেক ধৰ্মই মানুহৰ জীৱনৰ উচ্চ আদৰ্শৰ প্ৰতি অনুপ্ৰাণিত কৰে।

শিক্ষা আৰু ধৰ্মৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। দুয়োটাই নিজ নিজ পথত মানৱ কল্যানৰ লগত জড়িত। ধৰ্ম আৰু শিক্ষাৰ লক্ষ্য হৈছে ব্যক্তিৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশ। পুৰণি কালৰে পৰা উপযুক্ত শিক্ষা প্ৰদানত ধৰ্মই বিশেষ ভূমিকা পালন কৰি আহিছে। ধৰ্মীয় আদৰ্শৰে অনুপ্ৰানিত হৈ মানুহে নৈতিক চৰিত্ৰ গঢ় দিব পাৰিছে। পুৰণি কালত ধৰ্মীয় অনুষ্ঠানবোৰেই শিক্ষাৰ কেন্দ্ৰ আছিল আৰু ধৰ্মগুৰুবোৰেই শিক্ষা প্ৰদান কৰিছিল। শিক্ষাৰ পাঠ্যক্ৰমো ধৰ্ম বিষয়কেই আছিল।

পুৰণি কালত শিক্ষাৰ লক্ষ্য আছিল আধ্যাত্মিক দিশৰ

বিকাশ আৰু ধৰ্মীয় শিক্ষাই সেই লক্ষ্য পূৰণত সফল হৈছিল। কিন্তু বৰ্তমান শিক্ষাৰ লক্ষ্য অকল আধ্যাত্মিক বিকাশ নহয় শাৰীৰিক, মানসিক, নৈতিক আদি সকলো দিশৰ বিকাশেই শিক্ষা। গতিকে শিক্ষাত এই সকলো দিশৰ বিকাশৰ পাঠ্যক্ৰম অন্তৰ্ভূক্ত হ'ব লাগিব। ইয়াত বিশেষকৈ নৈতিক বা আধ্যাত্মিক দিশৰ বিকাশৰ বাবে ধৰ্মীয় শিক্ষা জৰুৰী। ধৰ্মীয় শিক্ষাই এজন ব্যক্তিক আধ্যাত্মিকতাৰ ফালে গতি কৰাব পাৰে আৰু মানৱীয় মূল্যবোধৰ বিকাশত সহায় কৰিব পাৰে। ধৰ্মীয় শিক্ষাই জীৱনলৈ নৈতিকতা আনি দিব পাৰে আৰু নেতিবাচক দিশবোৰ যেনে- ঘৃণা, শত্ৰুতা, অসাধুতা আদি নোহোৱা কৰিব পাৰে।

বৰ্তমান সময়ত কিছু মানুহৰ মাজত নৈতিক চৰিত্ৰৰ স্খলন দেখা যায়। যাৰ ফলত কুকাৰ্য্য কৰিবলৈ মানুহৰ অকনো চিন্তা নালাগে। প্ৰত্যেক দিনাই সমাজত চুৰি, ডকাইতি, হত্যা, ধৰ্ষণ আদি বৃদ্ধি পাই গৈ আছে। বিজ্ঞানৰ উন্নতিয়ে বস্তুগত সুবিধা যথেষ্ট প্ৰদান কৰিলেও দেশত যুদ্ধ-বিগ্ৰহৰ বিভীষিকাও ক্ৰমাৎ বৃদ্ধি পাইছে। মানুহৰ মাজত ভালপোৱা, বিশ্বাস, সহানুভূতি, সহিষ্ণুতাৰ অভাৱত শত্ৰুতা বৃদ্ধি পাইছে যিয়ে মানুহৰ শান্তি বিঘ্নিত কৰিছে। বৰ্তমান শিক্ষিত মানুহৰ অভাৱ নাই, অভাৱ মাথো মানৱীয় মূল্যবোধৰ যাৰ ফলত মানুহ দৌৰিব লগা হৈছে শান্তিৰ সন্ধানত।

এনে পৰিস্থিতিত ধৰ্মীয় শিক্ষাৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। ধৰ্মীয় শিক্ষা কোনো বিশেষ ধৰ্মৰ শিক্ষা নহয়। ইয়াৰ পৰিৱৰ্তে সকলো ধৰ্মৰ ভাল দিশবোৰহে পাঠ্যক্ৰমত অন্তৰ্ভূক্ত হ'ব লাগে। ধৰ্মীয় নীতি-নিয়মবোৰ শিক্ষাত অন্তৰ্ভূক্ত হোৱাৰ বিপৰীতে উচ্চ আদৰ্শ আৰু পৰম্পৰাবোৰ অন্তৰ্ভূক্ত হ'ব লাগে । ভাৰতবৰ্ষৰ মহান দাৰ্শনিকসকল যেনে মহাত্মা গান্ধী, ৰাধাকৃষ্ণন, ৰবীন্দ্ৰনাথ ঠাকুৰ, অৰবিন্দ আদিয়ে ধৰ্মীয় শিক্ষা সমৰ্থন কৰিছিল।

ভাৰতবৰ্ষ এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ। ইয়াত কোনো বিশেষ ধৰ্ম মানুহক জাপি দিয়া নহয়, বৰং ইয়াত সকলো ধৰ্মৰ প্ৰতি সমান সন্মান প্ৰদান কৰা হয়। শিক্ষাই ছাত্ৰ-ছাত্ৰীক সকলো ধৰ্মৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ শিকাব লাগিব। সকলো বৈষম্য পাহৰি মানবীয় উচ্চ আদৰ্শৰে অনুপ্ৰাণিত হ'ব লাগিব। তেতিয়াহে ধৰ্মীয় শিক্ষাৰ উদ্দেশ্য সফল হ'ব। অৱশ্যে বাস্তৱত ধৰ্মীয় শিক্ষা শিক্ষানুষ্ঠানত প্ৰদান কৰাটো ইমান সহজ নহয়। কাৰণ ধৰ্ম হৈছে মানুহৰ ব্যক্তিগত অনুভূতি আৰু ইয়াৰ বাবে স্কুলৰ পৰিবেশ ধৰ্মীয় হ'ব লাগিব। যাতে ধৰ্মীয় অনুভূতি ছাত্ৰৰ মনত আপোনা আপুনি জাগি উঠে। ইয়াত এটা বিশেষ দিশ হৈছে শিক্ষকৰ সহযোগিতা। যাৰ অবিহনে ধৰ্মীয় শিক্ষা ফলৱতী নহয়। সকলো ধৰ্মৰ মুল নীতি আদৰ্শৰ লগতহে শিক্ষাৰ্থীক পৰিচয় কৰোৱাত শিক্ষকসকল যত্নপৰ হ'ব লাগিব। মন্দিৰ মছজিদৰ দৰে বিশেষ ধৰ্মৰ শিক্ষা যাতে নহয় সেয়া লক্ষ্য ৰাখিব লাগিব। ধৰ্মৰ শৈক্ষিক দায়িত্ব হ'ব লাগে আদৰ্শৰ প্ৰতি উৎসাহিত কৰা যাতে মানুহ অন্ধ অনুগামী নহয়। ধৰ্মীয় শিক্ষাই আধ্যাত্মিক বিকাশৰ লগে লগে শাৰীৰিক বিকাশতো গুৰুত্ব দিব লাগিব। জীৱনৰ লক্ষ্য অকল ধৰ্মীয় ধ্যান আদি নহয়। মানুহৰ পৰিয়াল , সমাজ, দেশ লগতে নিজৰ প্ৰতি যথেষ্ট কৰণীয় আছে। আধ্যাত্মিক অনুভূতি প্ৰৱল হৈ উঠি নিজ কৰ্তব্যৰ প্ৰতি আওকনীয়া হ'লে নহ'ব। ইয়ে সমাজৰ ক্ষতি কৰে। গতিকে ধৰ্মীয় শিক্ষাই মানবীয় দায়িত্ববোধৰ শিক্ষা দিব লাগিব যাতে শিক্ষাৰ্থীসকল এলেহুৱা, দায়িত্বহীন নহয়। ছাত্ৰৰ মনত সৌন্দৰ্য্য অনুভূতি জাগ্ৰত কৰাটোও ধৰ্মীয় শিক্ষাৰ এটা বিশেষ কাম।

ভাৰতবৰ্ষৰ এতিয়াও বহুক্ষেত্ৰত পিছপৰা। আমাৰ দেশৰ উন্নতি নিৰ্ভৰ কৰিছে মানুহৰ নৈতিক উন্নতিৰ ওপৰত আৰু ধৰ্মীয় শিক্ষাই সেয়া সম্ভৱ কৰিব পাৰে। যদিহে শিক্ষাত ধৰ্ম সুপৰিকল্পিতভাৱে সংগঠিত কৰিব পৰা যায় শিশুৰ নৈতিক চৰিত্ৰৰ বিকাশ হ'ব আৰু ইয়ে দেশৰ উন্নতিত অৰিহনা যোগাব। গতিকে নৈতিক চৰিত্ৰৰ বিকাশৰ কথা ক'লেই নহ'ব ধৰ্মীয় শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগিব।

❀❀❀

# নাৰী সবলীকৰণত শিক্ষাৰ ভূমিকা

হীৰামণি ৰাভা (প্ৰাক্তন ছাত্ৰী)
সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ
ছমৰীয়া মহাবিদ্যালয়

পাতনি ঃ

প্ৰত্যেক ব্যক্তিৰে জীৱনটো অতিবাহিত কৰাৰ নিজস্ব কিটিপ আছে। ব্যক্তি বিশেষে জীৱন উপভোগ কৰাৰ মানদণ্ড বেলেগ বেলেগ হয়। সেইদৰে জীৱনটো সাৰ্থকভাৱে গঢ়ি তুলিবলৈ নিৰ্দ্দিষ্ট লক্ষ্যৰ প্ৰয়োজন আৰু সেই লক্ষ্যত উপনীত হ'বলৈ হ'লে নিজস্ব সামৰ্থৰ প্ৰয়োজন। যাক 'সবলীকৰণ' বা 'Empowerment' বুলি কোৱা হয়। এই সবলীকৰণে ব্যক্তিক নিজস্ব কাৰ্য সিদ্ধিৰ বাবে 'অধিকাৰ' প্ৰদান কৰে আৰু সঠিক সময়ত সঠিক ঠাইত সঠিক সিদ্ধান্ত লোৱাত সক্ষম কৰি তোলে। সবলীকৰণে যিদৰে ব্যক্তিক সামৰ্থ প্ৰদান কৰে ঠিক সেইদৰে নাৰী সবলীকৰণে সমগ্ৰ নাৰী সত্বাক অধিকাৰ প্ৰদান কৰে। সামাজিক, অৰ্থনৈতিক, শৈক্ষিক, সাংস্কৃতিক আদি সকলোবোৰ দিশত পুৰুষৰ সমানে মহিলাসকলক সম অধিকাৰ প্ৰদান কৰাৰ ক্ষেত্ৰত এই নাৰী সবলীকৰণে সহায় কৰে। সমাজত প্ৰতিবিম্বিত হোৱা মহিলাৰ প্ৰত্যাহ্বানমূলক দিশসমূহৰ বিপৰীতে মহিলাক সামৰ্থ প্ৰদান কৰা প্ৰক্ৰিয়াই হৈছে 'মহিলা সবলীকৰণ' ( Women Empowerment)।

আৰ্থ-সামাজিক তথা সাংস্কৃতিক উন্নয়নত আদিম কালৰে পৰা পুৰুষ আৰু মহিলাই সম পৰিমাণে অংশ লৈ আহিছে। মহিলা সকলে সংসাৰৰ সমস্ত কাম-কাজ দায়িত্ব সহকাৰে পালন কৰ পৰিয়াল তথা সমাজৰ উন্নতিত অৰিহণা যোগায় আহিছে। নিজ সন্তানক সঠিক যত্নৰে ডাঙৰ-দীঘল কৰি উপযুক্ত 'মানুহ' হিচাপে গঢ় দিয়াৰ পৰা ভগ্নী, পত্নী, মাতৃ, জীয়ৰী আদি সকলোবোৰ দায়িত্বই নিষ্ঠাৰে পালন কৰি আহিছে এই মহিলাসকল। 'কোৱা হয় মাক চাই জীয়েক' 'তিৰী লৈ গিৰি' ইত্যাদি যোজনাবোৰে মহিলাৰ সাংসাৰিক প্ৰয়োজনীয়তাৰ কথাকে উপলব্ধি কৰায়। কিন্তু কালৰ গৰাহত পৰি কিছুমান ব্যক্তিয়ে মহিলাসকলক পণ্য সামগ্ৰীৰূপে ব্যৱহাৰ কৰিবলৈ লয়। মহিলা সকল সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক, শৈক্ষিক সকলোবোৰ দিশতে অৱহেলিত, নিষ্পেষিত, নিৰ্যাতিত, শোষিত হ'বলৈ ধৰে। এই কাৰ্যই মহিলাৰ আত্ম স্বাধীনতা খৰ্ব কৰিবলৈ ধৰে আৰু পুৰুষ -মহিলাৰ লিংগ বৈষম্যতাৰ সৃষ্টি হোৱাৰ ফলত মহিলাসকলক সম অধিকাৰৰ বাবে আন্দোলন কৰিবলৈ বাধ্য কৰোৱা হয়। ইয়াৰ ফলস্বৰূপেই মহিলা সবলীকৰণ ধাৰণটোৱে সমগ্ৰ বিশ্বতে গাঢ় হৈ উঠে আৰু ইয়াৰ লগত জড়িত হৈ পৰে শিক্ষা। কাৰণ শিক্ষাইহে প্ৰকৃত পোহৰৰ সন্ধান বিলাব পাৰে আৰু অজ্ঞতাৰ আন্ধাৰ দূৰ কৰিব পাৰে। সমাজত নিহিত হৈ থকা কু-সংস্কাৰ, অন্ধবিশ্বাসবোৰ আঁতৰাবলৈ হ'লে সমাজৰ প্ৰতিজন সদস্যই প্ৰকৃত অৰ্থত শিক্ষিত হ'ব লাগিব। 'প্ৰকৃত শিক্ষা' হৈছে য'ত মানৱীয় প্ৰমূল্যবোধ জড়িত হৈ থাকে, সেই শিক্ষাইহে সমাজখনক কলুষিত হোৱাৰ পৰা পৰিত্ৰাণ কৰিব পাৰে।

আমাৰ আলোচ্য বিষয়টিৰ জৰিয়তে এই নাৰী সবলীকৰণত শিক্ষাৰ ভূমিকা, নাৰী শিক্ষাৰ সমস্যা আৰু এই সমস্যাবোৰ আঁতৰ্ কৰি শিক্ষাই কিদৰে মহিলা সকলক সবলীকৰণ কৰিব পাৰে তাক আলোচনা কৰা হ'ব।

মহিলা সবলীকৰণত শিক্ষাৰ ভূমিকা ঃ

সামাজিক লিংগ বৈষম্যতাৰ ফলত দেশৰ মহিলাসকল আৰ্থ-সামাজিক দিশত যথেষ্ট পিছ পৰি আহিছে। যিহেতু দেশৰ অৰ্ধ সংখ্যক লোকেই মহিলা আৰু এই অৰ্থ সংখ্যক লোকে যদি ৰাষ্ট্ৰৰ আৰ্থ-সাংস্কৃতিক দিশত অংশ গ্ৰহণৰ পৰা বঞ্চিত হ'ব লগা হয় তেতিয়াহ'লে দেশৰ অগ্ৰগতিত হেঙাৰৰ সৃষ্টি কৰি তুলিব। সেয়েহে মহিলা শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি স্বাধীন ভাৰতৰ প্ৰধানমন্ত্ৰী প্ৰয়াত জৱাহৰলাল নেহৰুৱে কৈছিল - 'এজন ল'ৰাক শিক্ষা দিয়া মানে এজন ব্যক্তিক শিক্ষা প্ৰদান কৰা। কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে গোটেই পৰিয়ালটোক শিক্ষা দিয়া 'Education of boys is education of one person, but educationof a girl is the education of the entire family") পৰিয়াল এটিৰ সুস্থ বিকাশৰ

কাৰণে মাতৃগৰাকী সুশিক্ষিত হোৱাটো নিতান্তই প্ৰয়োজনীয়। বিশেষকৈ ল'ৰা-ছোৱালীৰ ভৱিষ্যত তথা সুস্থ বিকাশ মাতৃৰ ওপৰতেই নিৰ্ভৰ কৰে। যদিহে মাতৃগৰাকী নিজেই সুশিক্ষিত নহয় আৰু সামাজিকভাৱে অৱহেলিত হ'ব লগা হোৱা বাবে মানসিক অসুস্থতাত ভোগে তেতিয়া হ'লে ভৱিষ্যত স্বৰূপ এই শিশুসকলৰ সুস্থ বিকাশ আশা কৰিব নোৱাৰি।

তাৰোপৰি সমাজত প্ৰতিফলিত হোৱা মহিলাৰ ওপৰত চলা শাৰীৰিক-মানসিক নিৰ্যাতনৰ বিৰুদ্ধাচৰণত শিক্ষাইহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।,শিক্ষাই ব্যক্তিক সাহস প্ৰদান কৰে। নাৰীৰ অন্তৰাত্মাক জাগ্ৰত কৰি সামাজিকভাৱে নিৰ্যাতিত, নিষ্পেষিত, শোষিত মহিলাসকলক মনোবল বৃদ্ধি কৰি তাৰ বিৰুদ্ধাচৰণ কৰাত সহায় কৰিব পাৰে।

মহিলা সবলীকৰণৰ বাবে ভাৰত চৰকাৰে বিভিন্ন ধৰণৰ আইন বলবৎ কৰি তুলিছে। যাৰ জৰিয়তে দেশৰ মহিলাসকলক মানৱ সম্পদ উন্নয়নৰ দিশত আগভাগ লোৱাৰ সুবিধা প্ৰদান কৰিছে। কিন্তু মহিলাসকলৰ অজ্ঞতাৰ বাবেই ইয়াৰ সঠিক ব্যৱহাৰ কৰিবলৈ সক্ষম নহয়। ইয়াক সঠিক ব্যৱহাৰোপযোগী কৰি তুলিব পাৰিব একমাত্ৰ শিক্ষাৰ জৰিয়তেহে। শিক্ষিত হ'লেহে মহিলা সকলে এই বিষয়ে জ্ঞান অৰ্জন কৰি তাৰ সৎ ব্যৱহাৰ কৰিব পাৰে।

ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক, শৈক্ষিক সকলোবোৰ দিশত আগভাগ ল'বলৈ হ'লে নিৰ্দিষ্ট দক্ষতা আৰু জ্ঞানৰ প্ৰয়োজন হয়। যিকোনো চৰকাৰী বা বেচৰকাৰী কৰ্মত সংস্থাপনৰ বাবেও যোগ্যতা আৰু অভিজ্ঞতাৰ প্ৰয়োজন। ই সম্ভৱ কেৱল শিক্ষাৰ জৰিয়তেহে। পুৰুষৰ সমানে মহিলা সকলো আৰ্থিক স্বাৱলম্বী হ'লে মহিলাসকল শিক্ষিত হোৱাৰ নিতান্তই প্ৰয়োজন।

আৰ্থিক স্বাৱলম্বীতাই ব্যক্তিক আত্ম স্বাধীনতা তথা আত্ম নিৰ্ভৰশীল হোৱাত সহায় কৰে। সমাজত বসবাস কৰা অবিবাহিতা, বিধবা মহিলা সকলে জীৱন নিৰ্বাহত বহুতো প্ৰত্যাহ্বানৰ সন্মুখীত হ'ব লগা হয় যদিহে তেওঁ আৰ্থিকভাৱে স্বাৱলম্বী নহয়। বৰ্তমান চৰকাৰৰ আৰ্থিক অনুদানৰ জৰিয়তে 'আত্ম সহায়ক গোটসমূহে গ্ৰাম্যাঞ্চলৰ দৰিদ্ৰ অশিক্ষিতা মহিলা সকলকো স্বাৱলম্বী হোৱাত যথেষ্ট বৰঙণি যোগাইছে।

ভাৰতীয় মহিলাই যদিও ৰাজনৈতিক অধিকাৰ ৰূপে সংবিধানৰ জৰিয়তে ভোটদান কৰাৰ ক্ষেত্ৰত সম অধিকাৰ লাভ কৰিছে। কিন্তু বিভিন্ন দিশত এই অধিকাৰৰ পৰা বঞ্চিত হ'ব লগীয়াও হৈছে। ভাৰত চৰকাৰে ইয়াৰ গুৰুত্ব উপলব্ধি কৰিয়েই National policy for empowerment of women,2001 প্ৰস্তুত কৰি চৰকাৰী চাকৰি, ৰাজনৈতিক তথা প্ৰশাসন ব্যৱস্থাত আসন সংৰক্ষণ সুৰক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰোপৰি 'বিশ্ব বিদ্যালয় অনুদান আয়োগে (UGC), বিশ্ববিদ্যালয়ত স্থান প্ৰাপ্ত ছাত্ৰীৰ বাবে স্নাতকোত্তৰ প্ৰতিভা বৃত্তি, মহিলাৰ বাবে অংশকালীন ৰিচাৰ্চ এছচিয়েটশ্বিপ, ছোৱালী হোষ্টেল নিৰ্মান আঁচনি আদি বিভিন্ন ধৰণৰ সুবিধা প্ৰদান কৰিছে। এই আঁচনিসমূহে মহিলাসকলক সবলীকৰণ কৰাত যথেষ্ট অৱদান আগবঢ়াইছে।

**ভাৰত তথা অসমৰ শিক্ষা ব্যৱস্থাত মহিলা শিক্ষাৰ সমস্যা ঃ**

মহিলাসকলক বিভিন্ন কাৰণত শিক্ষা আহৰণৰ পৰা বঞ্চিত হ'ব লগা হয়। যাৰ বাবে সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক, ৰাজনৈতিকভাৱে এই মহিলাসকল অৱহেলিত হৈ আহিছে। ইয়াৰ মূল কাৰণবোৰ এনেদৰে উল্লেখ কৰিব পাৰি-

ভাৰতত বসবাস কৰা জনসংখ্যা অৰ্ধ সংখ্যক লোকেই গ্ৰাম্যাঞ্চলত বসবাস কৰে। ইয়াৰে প্ৰায় সংখ্যক অভিভাৱকে নিৰক্ষৰ আৰু দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰে। এই লোকসকলক শিক্ষাৰ মহত্ব বুজি পোৱাত অসুবিধা হয় আৰু তেওঁলোকে পৰিয়াল সীমিতকৰণ প্ৰক্ৰিয়াকো আওকাণ কৰে। ফলত দুটাতকৈ অধিক ল'ৰা-ছোৱালী হোৱা হেতুকে সমপৰিমাণে প্ৰত্যেক শিশুকে শিক্ষা প্ৰদান কৰাত সক্ষম নহয়। ইয়াৰ বাবে ছোৱালী সন্তানে শিক্ষা আহৰণৰ পৰা বঞ্চিত হ'ব লগা হয়। নতুবা প্ৰাথমিক শিক্ষা সাং নকৰাকৈ আধাতে শিক্ষাগ্ৰহণ প্ৰক্ৰিয়া শেষ কৰিবলগীয়া হয় ঘৰুৱা কামৰ তাগিদাত বা খৰছৰ অভাৱত।

ভাৰতীয় সংবিধান অনুসৰি ১৪ বছৰ বয়সৰ তলৰ শিশুক শ্ৰমদান ক্ষেত্ৰত নিয়োজিত কৰাটো অপৰাধ যদিও শিশু শ্ৰমিকৰ সংখ্যা এতিয়াও হ্ৰাস হোৱা নাই। আৰ্থিক দুৰৱস্থাৰ বাবে অভিভাৱকসকলে ল'ৰা-ছোৱালীসকলক ধনী ব্যক্তিসকলৰ গৃহত বনকৰা ছোৱালী হিচাপে থয়। যাৰ বাবে ছোৱালীসকলে বাধ্যতামূলক আৰু বিনামূলীয়া প্ৰাথমিক শিক্ষা গ্ৰহণৰ পৰাও বঞ্চিত হ'ব লগা হয়।

অন্ধবিশ্বাস, বাধ্যতামূলক বিবাহ প্ৰথা, পুত্ৰ-সন্তানৰ প্ৰতি আসক্তি, ভ্ৰূণ হত্যা আদি বিভিন্ন কাৰণত সমাজত পুৰুষসকলে

ছোৱালীসকলক হেয় প্ৰতিপন্ন কৰি আহিছে আৰু ল'ৰাৰ সমানে সমানে ছোৱালীক শিক্ষা প্ৰদানৰ পৰা বঞ্চিত কৰি আহিছে। মাক-দেউতাকৰ মৃত্যুত কেৱল পুত্ৰ-সন্তানেহে মুখাগ্নিৰ পৰা কাম ধৰাৰ্লেকে সমাজিক ৰীতি-নীতিত গুৰি ধৰিব পাৰে আৰু সেয়েহে ভ্ৰূণ হত্যাৰ দৰে জঘণ্য কাম কৰিবলৈও কুণ্ঠাবোধ নকৰে। কিন্তু গ্ৰামাঞ্চলত বসবাস কৰা লোকৰ উপৰিও মুখাপিন্ধা শিক্ষিত এচামৰ মাজত বৰ্তমানেও এই অন্ধবিশ্বাস প্ৰচলিত হৈ আছে।

তাৰোপৰি উচ্চ শিক্ষা আহৰণৰ বাবে ছোৱালী সন্তানক অভিভাৱকৰ পৰা আঁতৰত ৰাখিব নিবিচাৰে নতুবা যাতায়তৰ অসুবিধাৰ দহাই দি উচ্চ শিক্ষা আহৰণত বাধা প্ৰদান কৰে। ইয়াৰ মূলত হৈছে লিংগ বৈষম্যতা। ছোৱালীসকলক কটকটীয়া শাসনৰ মাজত ৰখাৰ বিপৰীতে ল'ৰা-সন্তানক মুক্তভাৱে নিজ খেয়াল খুছিৰে জীৱন অতিবাহিত কৰিবলৈ এৰি দিয়া হয়। যাৰ ফলত সমাজত হত্যা,লুণ্ঠন, বলৎকাৰ আদিৰ দৰে অপৰাধসমূহ সঘনাই ঘটিবলৈ ধৰিছে আৰু মহিলাসকল নিৰ্যাতনৰ বলি হ'ব লগা হৈছে।

**সামৰণি ঃ**

যদিও বিভিন্ন সমস্যাৰ বাবে ছোৱালী সন্তানক উচ্চ শিক্ষা আহৰণৰ পৰা বঞ্চিত কৰা হয় তথাপিতো বহু সংখ্যক মহিলাই বৰ্তমান আধুনিক সমাজত শিক্ষা আহৰণ কৰিবলৈ সক্ষম হৈছে। আনুষ্ঠানিক শিক্ষা আহৰণ কৰিবলৈ বৰ্তমান গৃহিনী তথা কৰ্মচাৰীসকলে অগতানুগতিক শিক্ষা (Non-formal Education) ব্যৱস্থাৰ জৰিয়তে উচ্চ শিক্ষা আহৰণ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ জৰিয়তে সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক দিশত মহিলা সকলে পুৰুষৰ সমানে অংশগ্ৰহণ কৰিবলৈ সক্ষম হৈছে আৰু অৰ্থ উপাৰ্জনত পুৰুষক সহযোগ কৰি পৰিয়াল তথা সমাজৰ উন্নতি সাধিবলৈ সক্ষম হৈছে। নিযাতিত, নিষ্পেষিত, শোষিত মহিলা সকলৰ বাবে The protection of women from domestic violence act, 2005এ সুৰক্ষা প্ৰদান কৰিবলৈ সক্ষম হৈছে। সামাজিক ভাৱে মহিলাসকলে পুৰুষক সদায় সন্মান সহকাৰে আগস্থান প্ৰদান কৰে। কিন্তু তাৰ বিপৰীতে নাৰীক কেতিয়াও দুৰ্বল বা অবলা বুলি হেয় প্ৰতিপন্ন কৰাটো উচিত নহয় । বৰ্তমান ড° নিৰ্মল আহুজা, কিৰণ বেদীৰ দৰে নাৰী সমাজত উভৈনদী। উচ্চ শিক্ষিত আৰু স্বাৱলম্বী হোৱাৰ বাবেই আধুনিক মহিলাই পুৰুষৰ নিৰ্যাতন, অত্যাচাৰ, শোষণৰ বিৰুদ্ধে মাত মাতি বিবাহ বিচ্ছেদ কৰিবলৈ সাহসিকতা দেখুৱাইছে। যদিও মহিলা সৱলীকৰণ প্ৰক্ৰিয়াই মহিলাসকলক ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, শৈক্ষিক দিশত সবল কৰি তুলিছে, তথাপিও বৰ্তমানলৈও মহিলাসকল বিভিন্ন দিশত, ভিন্ন সময়ত ভিন্ন স্থানত নিৰ্যাতিত হৈয়ে আছে। ইয়াৰ বাবে শাৰীৰিক ভাৱেও মহিলাসকল শক্তিশালী হোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে। আত্ম সুৰক্ষাৰ বাবে 'Self defence programme' শিক্ষানুষ্ঠানত অনুষ্ঠিত কৰি ছাত্ৰীসকলক শাৰীৰিকভাৱে শক্তিশালী কৰি তুলিব লাগিব। ইয়াতকৈও অতি প্ৰয়োজনীয় দিশটো হৈছে প্ৰমূল্যবোধৰ বিস্তাৰ। নাৰী নিৰ্যাতন ৰোধ কৰাৰ একমাত্ৰ চাবি-কাঠি হৈছে মানৱীয় প্ৰমূল্যবোধৰ শিক্ষা। মানৱীয় প্ৰমূল্যবোধ অবিহনে মহিলাসকলে কেতিয়াও নিৰ্যাতন মুক্ত, শোষণ মুক্ত আৰু সবল হৈ উঠিব নোৱাৰিব।

**প্ৰসংগ পুথি ঃ**

১। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ ঃ 'শিক্ষা' উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক, অঃ উঃ মাঃ শিঃ মঃ সচিবৰ দ্বাৰা প্ৰকাশিত, বামুণীমৈদাম ,গুৱাহাটী - ২১

২। Editors : Baruah, Dr. Ananaya Singha, Dr. M.Gopal Das, Bhupati Hazarika, Rajlakshmi : Empowerment in Independent India Assam, Book Hive, H.B. Road, Panbazar,Guwhati-1

# মহিলা সবলীকৰণ আৰু দূৰৱৰ্ত্তী শিক্ষা

গীতাঞ্জলি কলিতা
প্ৰাক্তন ছাত্ৰী

ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে কৈছিল. "Education of boy is education of one person, but education of a girl is the education of entire family."

এটা জাতি তথা দেশ এখনৰ উন্নতি আৰু প্ৰগতিৰ ক্ষেত্ৰত মহিলাসকলৰ অৱদান উল্লেখনীয়। এই সংক্ৰান্তত নেপোলিয়নে কৈছিল -' Give me ten good mothers and I will give you a great nation."

প্ৰাচীন কালৰে পৰাই নাৰী শিক্ষাৰ ক্ষেত্ৰত ভাৰতীয় শিক্ষা ব্যৱস্থাই মনোযোগ প্ৰদান কৰা দেখা যায়। ভাৰতীয় সংবিধানেও বিভিন্ন ধৰণৰ ব্যৱস্থা গ্ৰহণৰ জৰিয়তে মহিলা সকলৰ অধিকাৰ সুনিশ্চিত কৰিবিলৈ প্ৰচেষ্টা হাতত লৈছে। সংবিধানৰ ১৫/১অনুচ্ছেদত কোৱা হৈছে যে জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু জন্মস্থানৰ ক্ষেত্ৰত কোনো ধৰণৰ বিভেদ কৰণ নাথাকিব। ১৫/৩ অনুচ্ছেদত উল্লেখ আছে যে মহিলা আৰু শিশুৰ ক্ষেত্ৰত ৰাজ্যই বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব। ১৬ নং অনুচ্ছেদ নিয়োগকৰণৰ ক্ষেত্ৰত সকলো নাগৰিকে সমান অধিকাৰ প্ৰদান কৰাৰ কথা নিশ্চিত কৰা হৈছে। ৩৯ নং অনুচ্ছেদত কোৱা হৈছে যে ৰাজ্যই সমান কামৰ বাবে পুৰুষ-মহিলা উভয়কে সমান মজুৰি প্ৰদান কৰিব লাগিব। আকৌ ৫১নং অনুচ্ছেদত মহিলাসকলৰ মৰ্যদা হানিকৰ কাৰ্যকলাপৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিছে।

এনেদৰে সংবিধানৰ বিভিন্ন অনুচ্ছেদত মহিলাসকলৰ সুবিধাৰ বাবে বহুতো ব্যৱস্থা ৰখা হৈছে যদিও প্ৰকৃতাৰ্থত কিন্তু কিছু ক্ষেত্ৰত মহিলাসকল যথেষ্ট আগবাঢ়ি যাবলৈ সক্ষম হৈছে যদিও বৰ্তমান ভাৰতৰ মহিলাৰ স্বাক্ষৰতাৰ হাৰ মাত্ৰ ৫৭.৯৩ শতাংশহে। সমাজত প্ৰায় সকলো দিশতে মহিলাসকল পুৰুষসকলৰ সমানে আগবাঢ়ি যাবলৈ সক্ষম হোৱা নাই। আনহাতে সম মানদণ্ডৰ কাৰ্য কৰিও মহিলাসকলে কিন্তু তুলনামূলকভাৱে পুৰুষতকৈ কম পৰিমাণৰ মজুৰিহে লাভ কৰা দেখিবলৈ পোৱা যায়। মুঠতে বাস্তৱ ক্ষেত্ৰত মহিলাসকলৰ এখন দুখলগা ছবিহে দেখিবলৈ পোৱা যায়। পৰিয়াল এটা নিয়াৰিকৈ পৰিচালনা কৰাৰ দায়িত্ব সেই ঘৰখনৰ মহিলাগৰাকীৰ ওপৰত থাকে। এগৰাকী শিক্ষিতা মহিলাই এই দায়িত্ব উপযুক্তভাৱে পালন কৰি দেশৰ সাৰ্বংগীন বিকাশত অৰিহণা যোগাবলৈ সক্ষম হ'ব পাৰে। আমাৰ দেশৰ মুঠ জন সংখ্যাৰ ৪৮.৪৬ শতাংশই হৈছে মহিলা। আনহাতে মুঠ জনসংখ্যাৰ ৭০ শতাংশই বাস কৰে গাঁৱত। নগৰাঞ্চলৰ মহিলাসকল কিছু দূৰ আগবাঢ়ি যাবলৈ সক্ষম হৈছে যদিও গাঁৱৰ মহিলাসকল কিন্তু উপযুক্ত সা-সুবিধাৰ অভাৱত যথেষ্ট পিচ পৰি থকা দেখিবলৈ পোৱা যায়। এইসকল মহিলা ঘৰুৱা কাম-কাজ, সন্তান প্ৰতিপালন কৰা ইত্যাদি কামৰ সৈতে জড়িত হৈ থাকিব লগা হৈছে। তেওঁলোকৰ বেছিভাগেই ইচ্ছা আৰু আগ্ৰহ থাকিও ঘৰুৱা কামৰ দায়িত্বৰ পৰা ওলাই আহিবলৈ সক্ষম হ'ব পৰা নাই। ইয়াৰ দুটা মূল কাৰণ হৈছে নিৰক্ষৰতা। সামাজিক, অৰ্থনৈতিক, ঘৰুৱা ইত্যাদি নানান কাৰণত এই মহিলাসকল আনুষ্ঠানিক শিক্ষাৰ পৰা বঞ্চিত হ'ব লগা হৈছে। পৰিয়ালৰ আৰ্থিক অৱস্থাৰ বাবে বহুতো যুৱতীয়ে আধাতে শিক্ষা সাং কৰিব লগা হোৱাৰ লগতে বিয়াত বহিবলৈ বাধ্য হ'ব লগা হয়। ফলত তেওঁলোকৰ উচ্চ শিক্ষা লাভৰ সপোন অপূৰণ হৈয়ে ৰৈ যায়। আকৌ সন্তান আৰু ঘৰ সংসাৰৰ লেঠাৰ মাজত সোমোৱাৰ পিত তেওঁলোকে ঘৰৰ বাহিৰলৈ ওলাই আহি আনুষ্ঠানিক শিক্ষা লাভ কৰাৰ সুবিধা নাপায়। শিক্ষা গ্ৰহণৰ প্ৰতি আগ্ৰহ থাকিও আনুষ্ঠানিক শিক্ষাৰপৰা বঞ্চিত হ'ব লগা হোৱা এনে অগণন মহিলাৰ বাবে আশীৰ্বাদ স্বৰূপ হৈছে দূৰৱৰ্ত্তী শিক্ষা। এই দূৰবৰ্ত্তী শিক্ষাই স্থিতি লাভ কৰিছিল ইংলেণ্ডত ১৮৪০ চনত আইজাক পিৰ্চমেনৰ কাৰ্যসূচীৰ মাধ্যমত। সেই সময়ত এই শিক্ষা ব্যৱস্থাটোক ডাক যোগে সম্পাদন হৈছিল আৰু ইয়াক যোগাযোগ পাঠ্যক্ৰম বুলি কোৱা হৈছিল। সময়ৰ অগ্ৰগতিৰ লগে লগে যোগাযোগ নামেৰে অভিহিত হয়। এই ব্যৱস্থাটোত ছপা মাধ্যমৰ উপৰিও ৰেডিঅ' টেলিভিচন, দূৰভাষ যন্ত্ৰ, শ্ৰব্যকেছেট, ভিডিঅ কেছেট, কম্পিউটাৰ আৰু লগতে অন্যান্য বৈদ্যুতিক আহিলা সমূহ প্ৰয়োগ কৰা হয়।

বৰ্তমান সময়ত ২০০ তকৈও অধিক বিশ্ববিদ্যালয়ে দূৰবৰ্তী শিক্ষাৰ মাধ্যমত বিভিন্ন প্ৰকাৰৰ পাঠ্যক্ৰমৰ শিক্ষা প্ৰদান কৰি আছে। ভাৰতবৰ্ষত প্ৰথমখন মুক্ত বিশ্ববিদ্যালয় স্থাপন হৈছিল ১৯৮২ চনৰ ২৬ আগষ্ট তাৰিখে 'অন্ধ্ৰপ্ৰদেশ মুক্ত বিশ্বদিদ্যালয়" হিচাপে। বৰ্তমান এই বিশ্ববিদ্যালয়খড় 'ড০ বি. আৰ. আম্বেদকাৰ মুক্ত বিশ্ববিদ্যালয় ' হিচাপে জনা যায়। এই বিশ্ববিদ্যালয়খন সমাজৰ দূৰ্বল শ্ৰেণীৰলোকৰ বাবে উচ্চ শিক্ষাৰ ব্যৱস্থা কৰাৰ

লগতে পৰম্পৰাগত শিক্ষাৰ পৰা বঞ্চিত বয়স্ক লোকসকলৰ বাবে শিক্ষাৰ ব্যৱস্থা কৰাৰ উদ্দেশ্যে স্থাপন কৰা হৈছিল। অসম চৰকাৰে ২০০৬ চনত ৰাজ্যিক আইন অনুসাৰে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় স্থাপন কৰে।

বৰ্তমান যুগটো হৈছে প্ৰতিযোগিতাৰ যুগ। প্ৰতিযোগিতাৰ এই দৌৰত মহিলা-পুৰুষ কোনোৱে যেন পিচ পৰি থাকিব নিবিচাৰে। এতিয়া শিক্ষা মাথোন বিদ্যালয়, মহাবিদ্যালয় নাইবা প্ৰশিক্ষণ প্ৰতিষ্ঠান আদিৰ মাজতেই সীমাবদ্ধ হৈ থকা নাই। শিক্ষাৰ বাবে প্ৰতিদিনে নতুন ধাৰণাৰ জন্ম হৈ আহিছে। নৱ প্ৰজন্মৰ বাবে এতিয়া পচন্দ অনুসৰি যিকোনো পাঠ্যক্ৰম গ্ৰহণ কৰি নিজৰ ৰুচি-অভিৰুচি পূৰণ কৰাটো তেনেই সহজ হৈ পৰিছে। যিটো কিন্তু কিছু বছৰআগলৈ বৰ সহজ সাধ্য নাছিল। যাৰ বাবে এতিয়াৰ সমাজখনতো শিক্ষাৰ পৰা বঞ্চিত বহুলোক আছে। এই লোকসকলৰ সৰহ সংখ্যকেই কিন্তু মহিলা হোৱা দেখা যায়। কিয়নো আমাৰ সমাজত প্ৰচলিত ধাৰণা অনুসৰি মহিলাসকলৰ প্ৰধান কাম হৈছে সমাজত প্ৰচলিত ধাৰণা অনুসৰি মহিলাসকলৰ প্ৰধান কাম হৈছে সন্তান প্ৰতিপালন আৰু ঘৰুৱা কাম-কাজ চোৱা-চিতা কৰা। তাৰোপৰি, ঘৰখনৰ আৰ্থিক দায়িত্ব ঘাইকৈ পুৰষসকলৰ ওপৰত থাকে বাবেও মহিলাসকলৰ শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত বিশেষ মনোযোগ প্ৰদান কৰা নহয়। যাৰবাবে বহু সময়ত শিক্ষা লাভৰ শাখা মনতে ৰাখি বহু মহিলাই সংসাৰ, ল'ৰা-ছোৱালীৰ দায়িত্ব বাঢ়ি অহাৰ লগে লগে আনুষ্ঠানিক শিক্ষাৰ উপযুক্ত বয়সো পাৰ হৈ যায় আৰু মনৰ শাখা মনতে ৰাখিব লগা হয়। এইসকল মহিলাৰ মনৰ আশা পূৰণ কৰাৰ বাবে সহায়কাৰী মাধ্যম হৈছে দূৰসংযোগ শিক্ষা ব্যৱস্থা। ইয়াৰ জৰিয়তে যিকোনো সময়তে যিকোনো বয়সৰ লোকে যিকোনো সময়তে শিক্ষা লাভ কৰিব পাৰে। ইয়াৰ দ্বাৰা যিকোনো গৃহিনী হোৱা সকলৰ লগতে অসংগঠিত ক্ষেত্ৰত জড়িত মহিলাসকল আৰু লগতে অন্যান্য অৰ্থনৈতিক কাৰ্যৰ সৈতে জড়িত মহিলাসকলো উপকৃত হ'ব পাৰে।

সময়ৰ অগ্ৰগতিৰ লগে লগে মহিলাৰ শিক্ষা আৰু মহিলাৰ সবলীকৰণৰ ধাৰণাই বিস্তৃত লাভ কৰিছে। মহিলা সবলীকৰণৰ উদ্দেশ্যে ইতিমধ্যে বহুতো আয়োগ গঠন কৰা হৈছে। এইসমূহৰ মুখ্য উদ্দেশ্য হৈছে মহিলাৰ সাক্ষৰতাৰ হাৰ বৃদ্ধি কৰা আৰু লগতে উদ্যোগিক মানসিকতা গঢ়ি তোলা। এই ক্ষেত্ৰত মুক্ত আৰু দূৰবৰ্তী শিক্ষাই এক উল্লেখযোগ্য ভূমিকা পালন কৰি আছে। এক শৈক্ষিক সমীক্ষাৰ তথ্য অনুসৰি বিশ্বৰ মুক্ত আৰু দূৰবৰ্তী শিক্ষাৰ শিক্ষানুষ্ঠানসমূহৰ ৪০ ৰ পৰা ৫০ শতাংশ শিক্ষাৰ্থীয়েই হৈছে মহিলা। এতিয়াৰে মহিলাসকল ঘৰতেই সোমাই থাকি গৃহস্থী ধৰ্ম পালন কৰাৰ প্ৰতি আগ্ৰহী নহয়। ঘৰ-সংসাৰ চোৱা-চিতা কৰাৰ লগতে উপযুক্ত শিক্ষাৰে শিক্ষিত হৈ নিজৰ পৰিয়াল তথা সমাজৰ আৰ্থিক প্ৰগতিৰ ক্ষেত্ৰত অৰিহণা যোগাবৰ বাবে মহিলাসকল আগ্ৰহী। আজিৰ মহিলাই কোনো ক্ষেত্ৰতে পুৰুষতকৈ পিচ পৰি থাকিব নিবিচাৰে। দূৰবৰ্তী শিক্ষাই শিক্ষাৰ্থীসকলক শিক্ষা লাভৰলগতে উপাৰ্জন কৰিবলৈ অনুপ্ৰেৰণা যোগায়। ইয়াত যিহেতু বয়সৰ কোনো সীমাবদ্ধতা নাথাকে আৰু লগতে কোনো অনুশাসন ব্যৱস্থা নাথাকে, সেয়েহে আধাতে শিক্ষা সাং কৰি কৰিব লগা হোৱা সকলৰ লগতে একেবাৰে আনুষ্ঠানিক শিক্ষা লাভ কৰিব নোপোৱা সকলো দূৰবৰ্তী শিক্ষাৰ দ্বাৰা শিক্ষা লাভ কৰি উপকৃত হ'ব পাৰে।

মহিলা সবলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি দূৰবৰ্তী শিক্ষাই বিভিন্ন ধৰণৰ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিছে। যেনে - ফেশ্বচ ডিজাইনিং, গহণা সজোৱা, মাটিৰ পাত্ৰ সজোৱা, মণ্টেশ্বৰী প্ৰশিক্ষণ, শিশু যতন নিৰ্দেশনা, বিউটিচিয়ান পাঠ্যক্ৰম, পৰিপুষ্টিকাৰকতাৰ পাঠ্যক্ৰম ইত্যাদি। মহিলাসবলীকৰণৰ ক্ষেত্ৰত অসমত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে আৰু বিভিন্ন ধৰণৰ বৃত্তিমুখী পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিছে। যেনে- বৈজ্ঞানিকভাবে গাহৰি পালন, বাণিজ্যকভাবে ছাগলী পালন, কুকুৰাপালন,হাঁহপালন, কণী উৎপাদন কৰা কুকুৰা পালন, ম'বাইল মেৰামতি, দৃশ্য শ্ৰব্য সৰ্জুলিৰ মেৰামতি আৰু পৰিচালনা ইত্যাদি। ইয়াৰোপৰি দূৰবৰ্তী শিক্ষাৰ জৰিয়তে লাভ কৰিব পৰা আন কেতবোৰ পাঠ্যক্ৰম হৈছে - নাৰ্চাৰী প্ৰতিপালন, তথ্য প্ৰযুক্তি, কম্পিউটাৰ এপ্লিকেশ্বন, কঠিন অভিগমন পৰিচালন, সাৰ উদ্যোগ, ঘৰুৱা বাগিছা, ফল উৎপাদন, কম্পিউটাৰ বিজ্ঞান, পৰিবেশ বিজ্ঞান, মৎস উৎপাদন, মাটিৰ বস্তু নিৰ্মাণ ভূমি জৰীপকৰণ, বেকাৰী উৎপাদন, ঘৰুৱা সামগ্ৰী মেৰামতি আৰু শীততাপ নিয়ন্ত্ৰণ আৰু শীতলীকৰণ যন্ত্ৰ মেৰামতি ইত্যাদি।

উক্ত বিষয়সমূহৰ জৰিয়তে যিকোনো কামত কৰ্মৰত মহিলা এগৰাকী শিক্ষিতা হোৱাৰ লগতে অৰ্থনৈতিকভাৱে স্বাৱলম্বী হৈ নিজৰ পৰিয়াল তথা সমাজলৈ বৰঙণি আগবঢ়াবৰ বাবে সমৰ্থবান হৈ উঠিব পাৰে। দূৰবৰ্তী শিক্ষাৰ জৰিয়তে মহিলাসকল আত্মবিশ্বাসী হৈ উঠাৰ লগতে আত্মসংস্থানৰো সুযোগ লাভ কৰিবলৈ সমৰ্থ হয় আৰু লগতে নিজৰ সন্মান বৃদ্ধি কৰিবলৈ তেওঁলোক সমৰ্থবান হৈ উঠে। শিক্ষাৰ আলোকেৰে আলোকিত এইসকল মহিলাৰ চিন্তাৰ দিগন্ত প্ৰসাৰিত হৈ পৰে।

●●●

# আত্মজ

ডঃ বিৰিঞ্চি কুমাৰ মেধি

অধ্যাপক, নৃতত্ত্ব বিভাগ

গুৱাহাটী বিশ্ববিদ্যালয়

দূৰভাষ ঃ ৯৪৩৫১-৪৫৯১৬

অক্ষয় আনন্দ-আকাংক্ষাৰ উদ্দীপক উৎস সতি-সন্ততিসমূহক কেন্দ্ৰ কৰিয়েই ঘৰ একোখনৰ প্ৰায় সমস্ত কাৰ্য সম্পাদিত হয়। স্বামী-স্ত্ৰীৰ মাজত যিমানেই নিবিড় প্ৰেম-প্ৰত্যয়ৰ সম্বন্ধ নাথাকক কিয়, পুলি-পোখাৰ উদ্ভৱ হোৱাৰ পাছতে দাম্পত্য সম্বন্ধৰ অন্তঃসলিলা ফল্গু স্বাভাৱিকভাৱে ভিন্ন গতিৰে প্ৰৱাহিত হৈ পুত্ৰ-কন্যাক সিক্ত কৰি তোলে। আত্মজৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ অভিমান-অসন্তুষ্টিয়েও পৰিয়াল একোটিৰ সুদৃঢ় স্থিতি থৰক-বৰক কৰি তুলিব পাৰে। সন্তানৰ ইচ্ছা-অনিচ্ছা, আকৰ্ষণ-বিকৰ্ষণৰ সমাহাৰেই হ'ল পৰিয়াল একোটিৰ প্ৰকৃত স্বস্তি-অস্বস্তিৰ প্ৰকৃত পৰিমাপক যন্ত্ৰ। পুত্ৰ-কন্যাৰ নিৰংকুশ উত্থান আৰু নিশ্ছিদ্ৰ ভৱিষ্যতৰ কামনাত পিতৃ-মাতৃসকলে যাপন কৰে অজস্ৰ বিনিদ্ৰ ৰজনী; সিহঁতৰ প্ৰতিটো ইচ্ছা-অভিলাষ পৰিপূৰণৰ বাবে পিতৃ-মাতৃসকলে নিজৰ আনন্দ-অৱসৰ অকাতৰে ত্যাগ কৰিবলৈ সৰ্বদায় প্ৰস্তুত হৈ থাকে। বিচিত্ৰ বসুন্ধৰাত কিছু সংখ্যক এনে লোকো আছে, যিসকলে সন্তানৰ নিৰুপদ্ৰৱ ভৱিষ্যততকৈ নিজৰ তাৎক্ষণিক আনন্দ-অভীপ্সা পূৰণ কৰাতহে অধিক গুৰুত্ব আৰোপ কৰে। পুত্ৰ-কন্যাৰ জাতিষ্কাৰ ভৱিষ্যতৰ কামনাত নিজৰ সমস্ত সুখ-স্বাচ্ছন্দ্য উৎসৰ্গ কৰিবলৈ উদগ্ৰীৱ সংখ্যাধিক পিতৃ-মাতৃৰ তুলনাত উল্লিখিত স্বাৰ্থপৰ অভিভাৱকসকল নগণ্য ব্যতিক্ৰম মাত্ৰ।

বৰ্তমান কালৰ দেশ-বিদেশৰ বিভিন্ন ক্ষেত্ৰৰ দৃষ্টিনন্দন শীৰ্ষস্থান শুৱাই থকা সৰহ সংখ্যক অসমীয়া লোকৰে অতীত আছিল গাঁও তথা গাঁওসদৃশ ক্ষুদ্ৰ নগৰৰ বোকা-পানী, পথাৰ-পিটনি, নদী-এৰাবাৰী, অনাটন-অনুশাসনৰ লগত অংগাংগীভাৱে জড়িত। সেমেকা মজিয়াত পাৰি লোৱা জৰাজীৰ্ণ বস্ত্ৰখণ্ডত লেপেটা কাঢ়ি বহি ঘৰখনৰ একমাত্ৰ টিপচাকিটোৰ টিমিক-ঢামাক পোহৰত নিৰিষ্টচিত্তে অধ্যয়নৰত সন্তানৰ সন্মুখৰ পৰা নিৰুপকৰণ খাদ্য প্ৰস্তুত কৰাৰ জটিল প্ৰক্ৰিয়া সম্পাদনৰ অত্যধিক প্ৰয়োজনত মাকে চাকিটো লৈ যোৱাৰ পৰত অনিশ্চিত ভৱিষ্যতৰ প্ৰতীক ঘনঘোৰ অন্ধকাৰে খন্তেকৰ বাবে আচ্ছাদিত কৰিছিল শিশু-কিশোৰৰ দুচকুৰ চৰম ত্যাগ স্বীকাৰ কৰি আৰু পৰিপাৰ্শ্বৰ লগত অবিৰত সংগ্ৰামত লিপ্ত হৈয়ো লক্ষ্যত উপনীত হোৱাৰ উদগ্ৰ হেঁপাহ। উন্মুক্ত ভৱিৰে ধূলি-বোকা নেফানেফ কৰি, জেং জাবৰৰ অত্যাচাৰকো তৃণকুটা যেন জ্ঞান কৰি শিক্ষা লাভৰ সুতীব্ৰ তাড়না পথাৰ এৰাবাৰীৰ বাট চমুৱাই নিতৌ কেইবামাইলো অতিক্ৰম কৰা অজস্ৰ সফল লোকে বৰ্তমান আমাৰ সমাজ আৰু সংস্কৃতিৰ উত্তৰণ আৰু বিকাশত শক্তিশালী অনুঘটকৰ দৰেই ক্ৰিয়া কৰিবলৈ সমৰ্থ হৈছে।

নিৰাৱেগভাৱে ধাবমান সময়-স্ৰোতত অন্তৰ্হিত হৈছে অদূৰ অতীতৰ আড়ষ্ট পৰিমণ্ডলতো স্বপ্ন সাকাৰ কৰাৰ দুৰ্দমনীয় প্ৰচেষ্টা। বিভিন্ন যান-বাহন চলাচলৰ বাবে নিৰ্মিত বাট-পথৰ জটিল জালে আষ্টে-পৃষ্ঠে শৃংখলিত কৰিছে অসমৰ সহজে তৃপ্ত সংগ্ৰামী জীৱন। খেৰ-বাঁহৰ দীনহীন অথচ প্ৰাণময় ঘৰসমূহৰ জেকা ভেটিত নিৰ্মিত হৈছে সুদৃশ্য আৱাসগৃহ, গগণচুম্বী অট্টালিকা। দুয়োবেলা চৰুৰ তললৈ জুই নোযোৱা পৰিয়ালৰ সন্তানেও মূল্যবান সাজ-পাৰ পিন্ধি কাম-কাজলৈ পিঠি দি মৰাচালি ধৰাটোকে অপৰিহাৰ্য কৰ্তব্যৰূপে বিবেচনা কৰা হৈছে। স্বৰাজোত্তৰ কালত অসমীয়া সমাজত চাইকেল একোখন আছিল উল্লেখযোগ্য কাৰ্যক্ষম আহিলা। বৰ্তমানৰ সংকুচিত অসমীয়া সমাজত চাইকেল হৈছে নিন্দনীয়-বৰ্জনীয় বাহন। পিতৃ-মাতৃৰ আনন্দ সীমাৱদ্ধতা অনুভৱ কৰিবলৈ অসমৰ্থ অজস্ৰ অসমীয়া ল'ৰা-ছোৱালীয়ে বয়ঃসন্ধিৰ ক্ষণ অতিক্ৰম কৰাৰ লগে লগে মটৰ চাইকেল বা মটৰ কাৰ বিচাৰি ঘৰ একোখনৰ সুখ-শান্তি বিনষ্ট কৰে। খেতিৰ মাটি, গহণা,-গাঁঠৰি আদি বিক্ৰী কৰি অথবা অনৈতিক উপায়ে ধন ঘটিও বহু অভিভাৱকে সন্তানৰ অনুচিত দাবী পূৰণ কৰিবলৈ বাধ্য হয়। ঔচিত্য-অনুচিত্য সম্বন্ধে স্পষ্ট ধাৰণাহীন আৰু নিজৰ বাহিৰে সকলোকে ৰক্ষণশীলৰূপে বিবেচনা কৰা অলেখ অসমীয়া

ডেকা-গাভৰুৰ অকাল-মৃত্যুৰ প্ৰধান বাহকৰূপে তেনে বাহনবোৰকে চিনাক্ত কৰিব পাৰি। আওমৰণে মৰা বহু ডেকা-গাভৰুৰ পিতৃ-মাতৃসকলে কোনখন পুষ্পক ৰথত উঠিনো দূৰ-দূৰণিৰ স্কুল-কলেজলৈ গৈছিল? এতিয়াওনো তেওঁলোকৰ কেইজনে নিজৰ গাড়ী-মটৰত উঠি অফিচ-কাছাৰীলৈ যায়? সেই অসহায় পিতৃ-মাতৃসকলৰ সন্তানহঁতে তীব্ৰ গতিত যান-বাহন চলাইনো কোনখন মহা-সমুদ্ৰ মন্থন কৰেগৈ?

ক্ষীপ্ৰগতিত একান্ন বৰ্তী পৰিয়ালসমূহ ভাগি-ছিগি সৃষ্টি কৰা অনেক ক্ষুদ্ৰ প্ৰাথমিক পৰিয়ালৰে মূলতঃ বৰ্তমানৰ অসমীয়া সমাজখন গৰ্বিত। স্ব-সৃষ্ট সূতাৰ জতুগৃহত আবদ্ধ লেটাৰ দৰে সৰহ সংখ্যক অসমীয়া লোকেই এতিয়া আত্মীয়-স্বজনৰ লগত সম্বন্ধ ছিন্ন কৰি আত্মকেন্দ্ৰিকতাৰ মায়াজালত ৰুদ্ধ হৈ পৰিছে। এটি বা দুটি সন্তান আৰু পিতৃ-মাতৃৰে গঠিত প্ৰায় বিচ্ছিন্নভাৱে জীৱন-যাপন কৰা পৰিয়ালসমূহৰ পৰা ক্ৰমান্বয়ে অন্তৰ্হিত হৈছে জেঠাই, দদাই, তাঁৱৈ, আমৈ আদি প্ৰাণ-পৰশা সম্বোধন। আজিকালিৰ শিশু-কিশোৰ, ডেকা-গাভৰুৱে তেনেবোৰ প্ৰাণময় শব্দৰে কাৰোবাক সম্বোধন কৰাৰ সুবিধা লাভ নকৰে। গাঁৱে-ভূঁঞে সিঁচৰতি হৈ থকা ইষ্ট-মিত্ৰৰ প্ৰতি তেওঁলোকৰ অন্তৰত লেখমানো আকৰ্ষণ নাই; সকলোৱে দিল্লী, মুম্বাই, হংকং, হলেণ্ডলৈ যাবলৈহে হেঁপাহ কৰে। বিদেশৰ প্ৰতি হৃদয়ত সঞ্চিত অত্যাধিক সংকৰ্ষণে তেওঁলোকক এনেদৰে মোহান্ধ কৰি ৰাখিছে যে অধিকাংশ যুৱক-যুৱতীয়ে অৱচেতনত স্বদেশৰ প্ৰতি সঞ্চিত হৈছে তীব্ৰ বিতৃষ্ণা। তেনেবোৰ ডেকা-গাভৰুৱে জাগিভকত গাঁৱৰ মাহীয়েক বা জলজলিৰ দদায়েকৰ বিপদে-সম্পদে কেতিয়াবা থিয় দিবগৈ বুলি আশা কৰা টান। সামাজিক ক্ষেত্ৰৰ অতি নিম্নস্তৰত অৱস্থান কৰা প্ৰতিগৰাকী লোককে ককাই, মোমাই ইত্যাদি ৰূপে সম্বোধন কৰাটোৱেই আছিল আমাৰ সমাজৰ সৰ্বজন-স্বীকৃত ৰীতি। সময়ৰ পৰীক্ষাত উত্তীৰ্ণ তেনে অজস্ৰ ফল প্ৰসু ৰীতি-নীতিয়ে অসমীয়া সমাজৰ লোকসকলক নিকপকপীয়া আন্তৰিক বন্ধনেৰে শৃংখলিত কৰি ৰাখিছিল। স্কুলে-পথাৰে সীমা পাৰহোৱা অতপালিত মত্ত শিশু-কিশোৰক দিন হাজিৰা কৰি পেট প্ৰৱৰ্তোৱা প্ৰতিবেশী এগৰাকীয়েও দ্বিধাহীনভাৱে ধমক দিব পাৰিছিল। নিজৰ পিতৃ-মাতৃকে আঁৰে-আঁতৰে 'বুঢ়া-বুঢ়ী' ৰূপে উল্লেখ কৰা বৰ্তমানৰ অজস্ৰ কিশোৰ-কিশোৰী, যুৱক-যুৱতীক প্ৰতিবেশীহে নালাগে, নিকট আত্মীয়য়ো উপদেশ-পৰামৰ্শ দিবলৈ কুণ্ঠাবোধ কৰে।

প্ৰত্যক্ষ আৰু পৰোক্ষ শিক্ষাৰ মাধ্যমেৰে অবোধ মানৱ শিশু এটি বিকশিত মস্তিষ্কৰ বয়স্ক লোকত পৰিণত হয়। পৰিনিৰ্ভৰ মানৱ শিশু এটিক হিংস্ৰ জন্তুৰ মাজত লালন-পালন কৰিলে সি নিজৰ সমাজৰ মাত-কথা, শিষ্টাচাৰ, মূল্যবোধ ইত্যাদি আয়ত্ত কৰাৰ পৰিবৰ্তে জন্তুৰ দৰেই সংস্কৃতিবিহীন আৰু হিংস্ৰ হৈ উঠিব। বৰ্তমান কালৰ অসমীয়া শিশু -কিশোৰ, যুৱক-যুৱতীৰ শিক্ষাদানৰ প্ৰক্ৰিয়া মূলতঃ স্কুল-কলেজৰ প্ৰত্যক্ষ পৰিৱেশতে সীমাবদ্ধ; তেওঁলোকক সন্তুলিত ব্যক্তিত পৰিণত কৰাত বৰ্তমানৰ অসমীয়া সমাজে নিৰ্ণায়ক ভূমিকা গ্ৰহণ নকৰে। সমাজৰ লগত প্ৰায় বিচ্ছিন্নভাৱে কাল কটোৱা আজিকালিৰ ল'ৰা-ছোৱালীয়ে আত্মীয়-প্ৰতিবেশী, সুহৃদ- শুভাকাংক্ষীৰ নিবিড় সাহচৰ্যত পৰোক্ষ শিক্ষা পদ্ধতিৰে (Sociolization) নিজ সমাজৰ ঐতিহ্য-পৰম্পৰা সম্বন্ধে অৱগত হৈ এশ-এজনৰ সুখ-দুখৰ সহৃদয় অংশীদাৰ হোৱাৰ সুযোগ নাপায়। অহোৰাত্ৰ পাঠ্যক্ৰমৰ বেষ্টনীত কাৰাবন্দী স্বৰূপে পৰীক্ষাসমূহত দৃষ্টিনন্দন সাফল্য প্ৰদৰ্শন কৰি ভালৰো ভাল চাকৰি একোটা হস্তগত কৰা বহু যুৱক-যুৱতীৰ বাবে আনহে নালাগে ৰুগ্ন বৃদ্ধ পিতৃ-মাতৃও হৈ পৰিছে অবাঞ্চিত বোজাস্বৰূপ। পিতৃ-মাতৃৰ আদেশ-অনুৰোধলৈ অংগুষ্ঠ প্ৰদৰ্শন কৰি প্ৰেমাস্পদৰ লগত যুগ্ম জীৱন আৰম্ভ কৰিবলৈ উথপথপ লগোৱা অধিকাংশ ডেকা-গাভৰুৱে আজিকালি বিয়াৰ দিন ঠিক হোৱাৰ পূৰ্বেই বিবাহ বিচ্ছেদৰ দিনটো নিশ্চিত হৈ পৰে।

কাৰোবাৰে কৰা চুৰেটোৰটো সঠিক জোখৰ নহ'লে খুলি-মেলি খাজে-খাপে খোৱাকৈ গুঁঠি উলিয়াব পাৰি। পৰিয়ালৰ সদস্যসকলক সামৰি ৰাখিবলৈ নিৰ্মাণ কৰা ঘৰটো অপৰিষ্কাৰ যেন বোধ হ'লে ইফালে বাৰাণ্ডা এখন, সিফালে কোঠা এটা বঢ়াই সেই অসুবিধাৰো জঁইন মাৰিব পাৰি। সন্তানসকলক গঢ় দিয়াৰ ক্ষেত্ৰতহে অভিভাৱকসকলে অতি কম ওপৰঞ্চি সা-সুবিধা লাভ কৰে। তপতে থাকোঁতেই লো পিটি সঁজুলি তৈয়াৰ কৰিব লাগে; চেঁচা লোত সৰ্বশক্তি প্ৰয়োগ কৰি হাতুৰি মাৰিলেও সঁজুলি তৈয়াৰ কৰাটো সম্ভৱ হৈ নুঠে। শিশু এটিক প্ৰকৃত শিক্ষা দান কৰি সফল -সন্তুলিত ব্যক্তিত পৰিণত কৰাটো অত্যন্ত জটিল প্ৰক্ৰিয়া। বহু পিতৃ-মাতৃয়ে ভাৱে যে হোৱাহোৱে ধন-বিত দি সন্তানৰ ইচ্ছা পৰিপূৰণ কৰিব পাৰিলেই সিহঁতৰ মন অধ্যয়নৰ প্ৰতি প্ৰবলভাৱে আকৰ্ষিত হ'ব। দৰাচলতে প্ৰয়োজনাধিক ধন-বিতে সন্তানক বিপথে পৰিচালিত কৰে। অত্যধিক ধন ব্যয়ত অভ্যস্ত সন্তানে নিজৰ দাবী অনুযায়ী অভিভাৱকৰ পৰা টকা নাপাই হত্যা-লুণ্ঠন, ধৰ্ষণ- অপহৰণ ইত্যাদি দুষ্কাৰ্যত জড়িত

হোৱাৰ ঘটনাই প্ৰত্যহ লাচিত কনকলতাৰ অসমখন তোলপাৰ কৰিয়ে থাকে।

একাকীত্ব নগৰকেন্দ্ৰিক সমাজৰ অপৰিহাৰ্য অনুষংগ। অলপ পৰো অকলশৰে কটাব নোৱাৰা লোক অনায়াসে অনৈতিক কাৰ্যত জড়িত হৈ পৰে। গ্ৰন্থ হ'ল মানুহৰ বিশ্বস্ত আৰু আনন্দদায়ক সহচৰ। গ্ৰন্থ অধ্যয়নৰ অভ্যাসে ছাত্ৰ-ছাত্ৰীক ধীৰ-স্থিৰ আৰু নিজৰ প্ৰতি আস্থাশীল কৰি তোলে। পৰিয়ালৰ আৰ্থিক স্থিতি অনুযায়ী কোনো 'হবি'ৰ প্ৰতি আকৃষ্ট সন্তানে পিতৃ-মাতৃৰ উদ্বেগ-সংশয় বহু পৰিমাণে হ্ৰাস কৰে। অপ্ৰয়োজনীয়ভাৱে অভিভাৱকৰ চকুৰ আঁতৰত সন্তানক সুদীৰ্ঘ সময় কটাবলৈ নিদিয়াই ভাল। খানা আছে, পাৰ্টি আছে, অমুকৰ পৰা কিতাপ এখন আনিবলৈ যাওঁ বুলি কিছুমান ল'ৰা-ছোৱালীয়ে যে সঘনাই অনুশাসনৰ লক্ষণৰেখা অতিক্ৰম কৰি বন্ধু-বান্ধৱৰ লগত বহুপৰ অতিবাহিত কৰে, সাধাৰণতে তেনেবোৰ আড্ডাতে সিহঁতে দুষ্কাৰ্যৰ প্ৰথম পাঠ লয়। তেনেবোৰ পৰিৱেশৰ পৰা সন্তানক সচেতনভাৱে আঁতৰাই ৰখাত অভিভাৱকে গুৰুত্ব আৰোপ কৰাটো সমীচিন। উল্লেখ্য যে গৃহ ভৃত্যৰ লগত সৰহপৰ কটোৱা শিশু-কিশোৰে ভৃত্যৰ বহু বদ অভ্যাস নিজৰ অজ্ঞাতসাৰেই আয়ত্ত কৰে। প্ৰত্যেকগৰাকী সন্তান এখন নিৰ্দিষ্ট ৰুটিনৰ মাজত আৱদ্ধ হৈ থকাটো বাঞ্চনীয়। তেওঁলোক সময়মতে ঘৰৰ পৰা ওলাবও লাগে, সময়মতে ঘৰত সোমাবও লাগে। সান্ধ্য-প্ৰাৰ্থনাৰ অভ্যাসে তেওঁলেকক ঘৰ চাপিবলৈ আকৰ্ষিত কৰে। প্ৰাৰ্থনাই ইচ্ছা পূৰণত সাহায্য কৰেনে নকৰে সেইটো এক অন্য প্ৰসংগ; কিন্তু প্ৰাৰ্থনাই যে মানুহৰ মন গভীৰ প্ৰশান্তিৰে পৰিপূৰ্ণ কৰি তোলে, তাত সন্দেহৰ অৱকাশ নাই। সন্তানে কেতিয়া ক'ত থাকি কি কাম কৰে, সেই সম্বন্ধে অভিভাৱকৰ স্পষ্ট ধাৰণা থাকিব লাগে।

পঢ় পঢ় বুলি ঘনে ঘনে সকীয়াই থাকিবলগীয়া সন্তানক কোনোপধ্যেই ভাল বুলিব নোৱাৰি। পঢ়া-শুনা কৰাটো যে পৃথিৱীৰ ভিতৰত আটাইতকৈ সহজ কাম, সেই কথা সন্তানক বুজাই দিব লাগে। সাধাৰণতে ছাত্ৰ-ছাত্ৰীয়ে কোনো মতবাদৰ সৃষ্টি নকৰে, কোনো আশ্চৰ্যজনক আবিষ্কাৰ কৰি জনসাধাৰণক বিস্ময়-বিমুগ্ধ কৰিও নোতোলে। কিতাপত থকা কথাখিনি নিৰ্ভুলভাৱে পৰীক্ষাৰ বহীত তুলি দিয়াটো কি এনে গন্ধমাদন দাঙি অনাৰ দৰে ডাঙৰ কথা? অধ্যয়নৰ সমান্তৰালভাৱে সন্তানক গীত-নৃত্য, নাট্য অংকণ আদিৰ ন্যূনতম শিক্ষা দিয়াটো বাঞ্চনীয়। পৰীক্ষাসমূহত চমকপ্ৰদ ফল প্ৰদৰ্শন কৰি আকাংক্ষিত পদবীত অধিষ্ঠিত হোৱাৰ পাছতো শিল্পকলাৰ সৈতে সম্বন্ধহীন বহু লোকে ব্যাখ্যাহীন শূন্যতাৰ মাজত কালাতিপাত কৰিবলৈ বাধ্য হয়। দুঃস্থ -বিপৰ্যস্ত, ৰুগ্ন-প্ৰতিবন্ধী লোকৰ প্ৰতি মমতা প্ৰদৰ্শন কৰা দম্পতীৰ সন্তানে পিতৃ-মাতৃৰ পৰা সেই সদগুণ আহৰণ কৰে। উপাৰ্জনক্ষম হোৱাৰ পাছতো তেনে গুণ বিকশিত কৰি নিৰ্মল আনন্দ অনুভৱ কৰিব পৰা যায়।

অসমীয়া লোকৰ ঘৰুৱা উৎসৱ পাৰ্বনত সন্তানসকলে সহযোগিতা কৰিবলৈ সুযোগ লাভ নকৰে। পিতৃ-মাতৃ আৰু গৃহভৃত্যই দেহে-কেহে খাটি অনুষ্ঠিত কৰা বিহু, পূজা, ঈদ, জন্মদিন আদি অনুষ্ঠানত ইটো নাখাওঁ, সেই সাজ কাপোৰ নিপিন্ধো ইত্যাদি অজস্ৰ ওজৰ-আপত্তিৰে সন্তানে ৰংগ-ভংগ কৰাৰ দৃষ্টান্ত অলেখ। বহু অসমীয়া ছাত্ৰ-ছাত্ৰীয়ে সৰহ পৰ আলাপ-বিবাদ, ৰসনা তৃপ্তি, বিলাস, মবাইল ফোন, দূৰদৰ্শন ইত্যাদিৰ লগতে ব্যয় কৰে। অপ্ৰতিহত উত্থান আৰু অন্তৰায়বিহীন ভৱিষ্যত জীৱনৰ বাবে দু পতীয়াৰে পৰা সন্তানক ব্যৱহাৰিক শিক্ষা প্ৰদান কৰাত গুৰত্ব দিয়াটো বাঞ্ছনীয়।

সন্তানে কি ভাল পায় তাতোকৈ সিহঁতে কি ভাল পোৱাটো উচিত, সেই সম্বন্ধে অভিভাৱকে অধিক মনোযোগ দিয়াৰ প্ৰয়োজন। মাথোঁ গালি-শপনি, শাৰীৰিক পীড়ন আদিৰ জৰিয়তে সন্তানক সুশিক্ষা দিব নোৱাৰি। পিতৃ-মাতৃনো কিয় অসন্তুষ্ট হয় আৰু তেওঁলোকক যে অসন্তুষ্ট কৰা অনুচিত, সেই বোধ সন্তানৰ হৃদয়-ফলকত খোদিত কৰাৰ গুৰু-দায়িত্বও পিতৃ-মাতৃ তথা অভিভাৱকৰ ওপৰতে ন্যস্ত থাকে। স্মৰ্তব্য যে অপৰিপক্ক হ'লেও শিশু-কিশোৰসকলো একো-একোটি উৰ্বৰ মস্তিষ্কৰ অধিকাৰী। অভিভাৱকৰ কথাতকৈ আচৰণ-বিচৰণেহে শিশু-কিশোৰৰ অন্তৰত গভীৰভাৱে ৰেখাপাত কৰে। ৰাগিয়াল দ্ৰব্য সেৱন কৰাটো গৰ্হিত কাৰ্য বুলি সঘনাই আওৰোৱা সুৰাসক্ত পিতৃ-মাতৃৰ প্ৰতি শিশু-কিশোৰৰ মনত কেনে ভাৱৰ উদ্ৰেক হ'ব বা তেওঁলোকে কেনে ধৰণৰ আচৰণ কৰিবলৈ উদ্বুদ্ধ হ'ব, সেইটো সহজেই অনুমেয়।

সৰুৰে পৰাই সন্তানৰ মনত সময়-জ্ঞান, শিষ্টাচাৰ, সৌজন্যবোধ, অংগীকাৰৰ মূল্য ইত্যাদি সম্বন্ধে স্পষ্ট ধাৰণাৰ সৃষ্টিত গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজন। ভৌগোলিক আৰু সামাজিক পৰিৱেশ সম্বন্ধেও সন্তানক শিক্ষা প্ৰদান কৰাটো অত্যন্ত আৱশ্যকীয়। অভিভাৱকৰ আৰু নিজস্ব সীমাবদ্ধতা

সম্বন্ধে সন্তানসকল অৱগত হোৱাৰো প্ৰয়োজন। পিতৃ-মাতৃসকলে নিজৰ আত্মীয়-স্বজন, সুহৃদ-শুভাকাংক্ষীসকলৰ লগত সন্তানসকলে সহৃদয় যোগাযোগ ৰক্ষা কৰাৰ প্ৰতি সদা-সতৰ্ক দৃষ্টি ৰাখিব লাগিব। বিস্তৃত অঞ্চলত ছিটিকি থকা বৃহৎ সংখ্যক ইষ্ট-মিত্ৰৰ দ্বাৰা পৰিবেষ্টিত সন্তানসকলে বিচৰণ ক্ষেত্ৰত সঘনে পৰিচিত ব্যক্তিৰ মুখামুখি হ'বলগীয়া পৰিস্থিতিয়ে তেওঁলোকৰ অন্তৰত অংকুৰিত উদ্ভণ্ডালি কৰাৰ প্ৰৱণতা স্বাভাৱিকভাৱেই স্তিমিত কৰি তোলে। তদুপৰি পিতৃ-মাতৃয়ে স্নেহ-শ্ৰদ্ধা কৰা লোকসকলৰ বয়স, লিংগ, সামাজিক স্থিতি অনুযায়ী শ্ৰদ্ধা-ভক্তি কৰিবলৈ সন্তানসকলৰ অন্তৰতো সহজ প্ৰবৃত্তিৰ উদ্ৰেক হয়।

এই সত্য অস্বীকাৰ কৰি লাভ নাই যে বৰ্তমান কালৰ ক্লেদাক্ত বাতাবৰণে শিশু কিশোৰৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰহে সৃষ্টি কৰে। পুৰোগামী ৰাজনৈতিক নেতা, উচ্চপদস্থ চৰকাৰী বিষয়া, 'মোৰ ভগৱান' (My Lord) ৰূপে সম্বোধন কৰা বিচাৰপতি ইত্যাদি সমাজৰ অজস্ৰ কাণ্ডাৰীৰ স্বেচ্ছাচাৰিতা আৰু অনৈতিক কাৰ্য সম্বন্ধে প্ৰচাৰ-মাধ্যমসমূহে সঘনাই বিস্তৃত বিবৰণ দাঙি ধৰে। উগ্ৰপন্থী, সমাজবিৰোধীলোক ইত্যাদিকো আমাৰ সমাজত মহানায়কৰূপে বন্দনা কৰা হয়। প্ৰয়োজন সাপেক্ষে পৰিৱৰ্তিত সৎ-অসৎ, উৎকৃষ্ট-নিকৃষ্টৰ সংজ্ঞাই শিশু-কিশোৰসকলক বিমূঢ়-বিচলিত কৰি তোলে। তেনে পৰিৱেশতো সন্তানসকলৰ মানসিক স্থিতি সম্বন্ধে উদাসীন হৈ প্ৰত্যেক পিতৃ-মাতৃয়ে নিজৰ পুত্ৰ-কন্যাই অধ্যয়ন, ক্ৰীড়া, সংগীত, চিত্ৰ-ভাস্কৰ্য ইত্যাদি সকলো ক্ষেত্ৰতে শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰাটো মনে-প্ৰাণে কামনা কৰে। অভিভাৱকৰ অত্যাধিক প্ৰেমে সন্তানক কৃতিত্ব প্ৰদৰ্শন কৰিবলৈ উদ্বুদ্ধ কৰাৰ পৰিৱৰ্তে বাস্তৱৰ প্ৰতি আওকণীয়া মনোভাৱ প্ৰদৰ্শনৰ দ্বাৰা কল্পলোকত বিচৰণৰ বাবেহে প্ৰৰোচিত কৰে।

যেতিয়া অভিভাৱকসকলে সন্তানক মন্ত্ৰী-বিধায়ক, অভিযন্তা-ৰাজপত্ৰিত বিষয়া ইত্যাদি কৰাতকৈ প্ৰকৃত মানুহ ৰূপে গঢ়ি তোলাতহে অধিক গুৰুত্ব আৰোপ কৰিব আৰু যেতিয়া তেওঁলোকে সেই কাৰ্যত সাফল্যও লাভ কৰিব, তেতিয়াহে আমি মানুহৰ ওপৰত অটল আস্থা আৰু বিশ্বাস স্থাপন কৰি এখন নিৰুপদ্ৰপ সমাজৰ দায়িত্বশীল সদস্যৰূপে জীৱন অতিবাহিত কৰিবলৈ সমৰ্থ হ'ম।

❁❁❁

# অসমীয়া নামবাচক শব্দৰ ৰূপতাত্ত্বিক গঠন

ড° উপেন ৰাভা হাকাচাম
অধ্যাপক, অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

অসমীয়াত বিভিন্ন স্থান-নামৰ দৰে ব্যক্তিনাম, জাতি-জনগোষ্ঠীৰ উপাধিৰ নাম, বিভিন্ন প্ৰাণীৰ নাম, বিভিন্ন সা-সামগ্ৰীৰ নামৰ লগতে উৎসৱ-অনষ্ঠানৰ নামো পোৱা যায়। এইবোৰৰ সবহ সংখ্যকৰে মূল সংস্কৃত (তৎসম, অৰ্ধতৎসম, তদ্ভৱ) যদিও দুই-এটা বিদেশী আৰু প্ৰাদেশিক ভাষাৰো নামবাচক শব্দৰ ব্যৱহাৰ আছে। তেনে মূল উলিয়াব পৰা ভাষাৰ শব্দসমূহক ঋণ শব্দ হিচাপে বেলেগাই ৰাখি ইয়াত অকল অসমীয়াত প্ৰচলিত বিভিন্ন মৌলিক আৰু প্ৰত্যয়জাত শব্দৰ সাধন প্ৰক্ৰিয়াকহে দেখুৱা হ'ল। এইটো নিসন্দেহ যে এনে মূল চিনিব নোৱাৰা সাধিত শব্দ (প্ৰত্যয়যুক্ত) আন কোনোবাটো নহয় কোনোবাটো থলুৱা (আৰ্যভিন্ন) ভাষাৰ পৰাই লাভ কৰা।

অসমীয়াত শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গ (ছিৰি-চেহেৰা), চাৰিত্ৰিক বৈশিষ্ট্য (চাল-চলন), পৰিয়ালত তেওঁৰ স্থান (সৰু-ডাঙৰ-মাজু), জন্মৰ দিন-বাৰ-মাহ চাই কেতবোৰ লোক-নাম প্ৰচলিত হৈ আহিছে। মূল নামৰ উপৰিও একোটা উপৰুৱা বা ডাকনাম হিচাপে এইবোৰ অসমীয়াত অতি ব্যাপক ৰূপত সমাদৃত। সাধাৰণতে পুতৌবাচক -আই / -উ / জান / মণি, ক্ষুদ্ৰতাবাচক -টি / -কণ / -ই / -পাই / -পাহি স্ত্ৰীলিঙ্গবাচক কলি / জনী / মাই / মতী / -ৱতী / -তি / -তী / তৰা / দৈ / -নী / -অৰী / -ৰী / -ঈ / -লী / -আ; পুংলিঙ্গবাচক ৰাম / বৰ / দাস / -এন / -ইন্দ্ৰ / -আ; বিশেষণবাচক -আ (অৰা / -উৰা / -এলা), -ঈ / -উৰী / -অৰী / -ৰী, -আলি / -এলি / -আলী / -অতি / -অনী। উদাহৰণ—

আই ঃ মঘাই < মাঘ + আই তু. মাঘী
ভদাই< ভাদ+ আইতু. ভাদৈ
সোণাই < সোণ +আই তু. সোণপাহি

-উ ঃ ৰাণু < ৰাণী
মাইনু /মিনু < মিনতি
ৰাজু < ৰাজ + উ

-জান ঃ মাইজান, তৰাজান, মইনাজান, ভাইজান।

-মণি ঃ মামণি, সোণমণি, মালামণি, জানমণি, জোনমণি, সোণমণি, টুটুমণি।

-টি ঃ সোণটি, ধনটি, আইটি, বাপুটি, ভাইটি, ভনীটি / ভণ্টি, জোনটি, কণটি।

-কণ ঃ আইকণ, মাইকণ, বাইকণ, বাপুকণ, সৰুকণ, কেৰকণ, টিপকণ, মাকণ, অকণ।

-কণি ঃ মাকণি, অকণি

-পাই / -পাহি ঃ কণপাই / পাহি, কেৰকণ, সোণপাই / পাহি।

-কলি ঃ টিপকলি, কেহোঁকলি, হঁয়কলি (চৰাই)।

-জনী ঃ মাজনী, আইজনী, সোণজনী।

-মাই ঃ তৰামাই, সোণমাই, চেনীমাই, কণমাই।

(ব্যতিক্ৰম ঃ সেউতী, মালতী, জেউতী)

-তৰা ঃ নয়নতৰা, বগীতৰা, সোণতৰা, নাজিতৰা।

-দৈ ঃ ভাদৈ, হাদৈ, তৰাদৈ, মাদৈ (পাটমাদৈ), ক'লীদৈ।

-নী / -অনী / ইনী ঃ মাইনী, সাধনী (কুঁৱৰী), ৰাজনী, ভাজনী, মাগনী (বুঢ়ী), কুটনী (বুঢ়ী)।

-ৰী / -অৰী ঃ ভদৰী < ভাদ তু. ভদাই, ভদৰাম, লাহৰী তু. লাহতী

-লী / -ইলী ঃ ৰঙিলী, পমিলী, বিজুলী, ভেবেলী

-ঈ ঃ ব'হাগী, ফাগুনী, আহিনী, পদুমী, জেতুকী, পুতুলী, সাদৰী, চেনেহী, ৰূপহী।

-আ ঃ জয়া < জয় তু. জয়মতী, জয়ৰাম
মূলা < মূল তু. মূলা গাভৰু

-ৰাম ঃ ঘটিৰাম, বাটিৰাম, মাটিৰাম, পানীৰাম,

-বৰ ঃ কৃপাবৰ, মনবৰ, ধনবৰ, ভীমবৰ, বিষুবৰ।

-দাস ঃ ৰামদাস, কালিদাস, হৰিদাস

-এন ঃ হেমেন তু. হেমলতা, হেমকান্ত

হোমেন, ফুলেন, দ্বীপেন, ৰবেন

ইন্দ্র / এন্দ্র ঃ ভোকেন্দ্র, খগেন্দ্র, নাহেন্দ্র, যোচেন্দ্র দ্র যশ-ইন্দ্র, বলেন্দ্র দ্র বল-ইন্দ্র তু. বলীন্দ্র /বলীন, হোমেন্দ্র

-আ - আহিনা< আহিন -আ

ফাগুনা < ফাগুন -আ

সেইদৰে কোঁৱৰ /কুঁৱৰী, কুমাৰ /কুমাৰী, ঈশ্বৰ /ঈশ্বৰী, দেৱ / দেৱী, ৰাণী, বালা আদি সংস্কৃতমূলীয় (তৎসম / তদ্ভৱ) শব্দৰো প্ৰত্যয়ৰ দৰে নামবাচক শব্দত প্ৰয়োগ হয়।

কোঁৱৰ / কুঁৱৰী ঃ জলকুঁৱৰী / কোঁৱৰ, বাঁৰীকোঁৱৰ, ঔকুঁৱৰী। শাক-পাচলীৰ নাম কিছুমানো এইধৰণে ব্যুৎপত্তি হোৱা। যেনে— উলুকুঁৱৰী, চাল-কুঁৱৰী, কাঁথি কুঁৱৰী

কুমাৰ /কুমাৰী ঃ ৰাজকুমাৰ, ৰাজকুমাৰী।

দেৱ / দেৱী ঃ জয়দেৱ, হৰিদেৱ, ভানুদেৱী, মায়াদেৱী

ঈশ্বৰ /ঈশ্বৰী ঃ কামেশ্বৰ / শ্বৰী, ধনেশ্বৰী /শ্বৰী।

চন্দ্ৰ ঃ জয়চন্দ্ৰ, ৰামচন্দ্ৰ

মোহন ঃ হৰমোহন, মনোমোহন, চন্দ্ৰমোহন।

বালা ঃ বীৰুবালা, নলিনীবালা, মীণুবালা, ৰেণুবালা

-ৰাণী ঃ প্ৰমিলাৰাণী, ৰেখাৰাণী, মায়াৰাণী

-মতী ঃ মনোমতী, ভানুমতী, জয়মতী, ফুলমতী।

-ৱতী ঃ চম্পাৱতী, তৰাৱতী, জয়াৱতী, বিহুৱতী, দয়াৱতী, জাম্বুৱতী, গুণৱতী

অসমীয়াত একালত আহোম নাং (গাভৰু) শব্দৰ সমাৰ্থকভাৱে স্ত্ৰী- নামত গাভৰু শব্দৰ প্ৰচলনো আছিল। যেনে -মূলাগাভৰু, জনাগাভৰু তু. নাংবক্ল গাভৰু, নাংকৈ গাভৰু, নাংচেং গাভৰু

সেইদৰে

-মলা ঃ পানীমলা, তেজীমলা, ৰহিমলা, ৰমলা

-মালা ঃ মণিমালা, মঞ্জুমালা, কুঞ্জমালা

-লতা ঃ কনকলতা, সুধালতা, সুখলতা, হেমলতা,

-এ (ঈশ্বৰীৰ সংক্ষিপ্ত ৰূপত) ঃ (ঈশ্বৰীৰ সংক্ষিপ্ত ৰূপত) ফুলে < ফুলেশ্বৰী, ৰহে < ৰহেশ্বৰী, ভদ্রে < ভদ্রেশ্বৰী

একেদৰে বালা, ৰাণী, মতী, ৱতী আদি স্ত্ৰীলিঙ্গবাচক সংস্কৃতমূলীয় শব্দৰ লগতে অসমীয়া জতুৱা শব্দৰ লগতো একো গঢ়তে নাম শব্দৰ তৈয়াৰ কৰি লয়।

পুংলিঙ্গবাচক সংস্কৃতমূলীয় শব্দৰ লগতে অসমীয়া জতুৱা শব্দৰ সৈতে একে গঢ়তে নামশব্দ তৈয়াৰ কৰি লয়। যেনে —

-ধৰ ঃ হলধৰ, চক্ৰধৰ, গদাধৰ, ভূধৰ, মহীধৰ, চন্দ্ৰধৰ, বেণুধৰ, সোমধৰ

-নাথ ঃ জয়নাথ, গোপীনাথ, শ্ৰীনাথ, মীননাথ, সোমনাথ

-চন্দ্ৰ ঃ ৰামচন্দ্ৰ, জয়চন্দ্ৰ, গোপীচন্দ্ৰ, মহীচন্দ্ৰ, ৰবিচন্দ্ৰ

-চৰণ ঃ ৰামচৰণ, হৰিচৰণ, ভৱচৰণ, শিৱচৰণ, ভৱচৰণ

মোহন ঃ চন্দ্ৰমোহন, মনোমোহন, নীলমোহন।

মৌলিক বিশেষণ শব্দৰ দৰে সাধিত বিশেষণ শব্দ কিছুমানো নামবাচক শব্দ হিচাপে ব্যৱহাৰ হয়। যেনে—

-ঠ ±/-অৰা / -উৰা / -এলা ঃ জধলা, বৰলা, অজলা।

-ঈ / -অৰী / -উৰী / -এলী / -অতী ঃ সাদৰী, বিজুলী, বগী, ৰাঙী, তেজী (মলা), লাহৰী

-ঈ (স্ত্ৰীলিঙ্গত প্ৰয়োগ হোৱা তিথিবাচক) ঃ পঞ্চমী

-তী (স্ত্ৰীলিঙ্গত প্ৰয়োগ হোৱা নক্ষত্ৰবাচক) ঃ স্বাতী

-আকী / -কী ঃ জোনাকী, মেলকী

-আলি / -আলি ঃ তৰালি, জোনালি, বৰ্ণালি।

-অনী ঃ সাধনী, পাচনী ইত্যাদি।

ভূত-প্ৰেত, যখ-যখিনীৰ নামবিলাক আকৌ শুনিবলৈ ভয়লগা আৰু যাদুকৰী গুণসম্পন্ন হয়। যেনে-ধনগুলৈ (ধনৰখীয়া বাবে), আধামূৰী (মূৰৰ আধা অংশ নাই বাবে), ঘোঁৰা বাক (ঘোঁৰামুখীয়া বাবে), ম'হ যখ (ম'হৰ দৰে দেখি বাবে), বৰ চামোন, নিবোকা চামোন, বুঢ়া ডাঙৰীয়া।

জাতি-জনগোষ্ঠী বা উপাধি বিষয়ক শব্দৰ সাধনত সাধাৰণতে -ওৱাল / -উৱাল, -ঈয়াল, -আল, -ঈয়া, -আ, আৰী, -গঞা, -কুচীয়া আদি বিশেষণবাচক প্ৰত্যয়ৰ ব্যৱহাৰ হয়। উদাহৰণ—

-অন ঃ গায়ন, বায়ন

-অনিয়াৰ ঃখাটনিয়াৰ

-অনী ঃ পাচনী, কাটনী (যোগী)

-আৰ ঃ কমাৰ, কঁহাৰ, চমাৰ, চঁৰাল

-আল ঃ ঠেঙাল (কছাৰী), মুক্তাল, হগ্রাল (সোণোৱাল)

-আৰু ঃ লেখাৰু

-আৰী ঃ স্বৰ্গাৰী, দেমাৰী (সোণোৱাল), হজোৱাৰী, বাগলাৰী (বড়ো)

-ওৱাল ঃ সোণোৱাল (কছাৰী), ঘাটোৱাল

-ওৱালী ঃ ফাটোৱালী (সোণোৱাল)

-উৱাল ঃ ভিতৰুৱাল (কোঁৱৰ), তিৰুৱাল (কছাৰী)

-ঈয়াল ঃ মৰঙীয়াল, মাণিকীয়াল, মহঙীয়াল, বাৰুকীয়াল

-ঈ ঃ হাতীচুঙী, পছুচুঙী, দুৰৰী, অধিকাৰী, তামুলী

-ঈয়া ঃ শৰণীয়া (কছাৰী), দিহিঙীয়া, হাতীমূৰীয়া, কাঠকটীয়া, বেবেজীয়া (মিচিং), চামগুৰীয়া (মিছিং), দিবঙীয়া (দেউৰী), টেঙাপনীয়া (দেউৰী), টিপমীয়া।

অলীয়া ঃ মোৱামৰীয়া (মটক), মহাপুৰুষীয়া (বৈষ্ণৱ), দাঁতিয়লীয়া (তিৱা) < দাঁতিয়াল, হাজোৱলীয়া (তিৱা) <হাজোৱাল

খোৱা ঃ হাটখোৱা, ৰাজখোৱা

-গঞা ঃ বৰগঞা (দেউৰী), পাটৰগঞা (দেউৰী), কছাৰীগঞা (মৰাণ)

-চোৱা ঃ শেনচোৱা, কুকুৰাচোৱা

-ধৰা ঃ দৰবধৰা, আৰোৱান ধৰা / আৱান্ধৰা, সৌকাধৰা, চাবুকধৰা

-কুচীয়া ঃ উজনিকুচীয়া, নামনিকুচীয়া (সোণোৱাল)

বিদেশীমূলীয় শব্দ আৰু প্ৰত্যয় ঃ

-দাৰ ঃ তালুকদাৰ, তহবিলদাৰ, মজুমদাৰ / মজিন্দাৰ, তৰফদাৰ, দস্তিদাৰ, হিলৈদাৰী

পূৰ্বসৰ্গৰ দৰে

-বৰ ঃ বৰকাকতি, বৰবৰুৱা, বৰফুকন, বৰকটকী, বৰগোহাঞি, বৰপূজাৰী, বৰঠাকুৰ, বৰগোঁহাই, বৰদলৈ

ডেকা ঃ ডেকাফুকন, ডেকাৰজা, ডেকা সত্ৰাধিকাৰ

ৰায় / ৰাজ ঃ ৰাজকোঁৱৰ, ৰাজগুৰু, ৰাজবংশী, ৰায়মেধি, ৰায়চৌধুৰী, ৰায়মেধি

দেৱ ঃ দেৱনাথ, দেৱচৌধুৰী, দেৱগোস্বামী, দেৱ অধিকাৰী

পৰসৰ্গৰ দৰে ঃ

বৰা ঃ বেজবৰা, কাথবৰ

বৰুৱা ঃ বেজবৰুৱা, হাতীবৰুৱা, কাঠবৰুৱা, মজিন্দাৰ বৰুৱা, দত্তবৰুৱা, বুজৰবৰুৱা

ফুকন ঃ হাতী ফুকন, খাৰঘৰীয়া ফুকন, চিৰিং ফুকন, তামুলী ফুকন, জালভাৰী ফুকন।

চৌধুৰী ঃ ৰায়চৌধুৰী, দেৱচৌধুৰী, দত্তচৌধুৰী

গোঁহাই / গোহাঞি ঃ হৰগোঁহাই / গোহাঞি, বুঢ়াগোহাঞি, বৰপাত্ৰ গোহাঞি

বিভিন্ন গছ-লতিকা, তৰু-তৃণ, শাক-পাচলিৰ নাম —

পাত ঃ তেজপাত, কৌপাত

তু. তুলাপাত, সাঁচিপাত, ধাৰাপাত

ফুল ঃ কপৌ ফুল, ভাটৌ ফুল, কাউৰী ফুল

লতা ঃ ভেদাই লতা, ভেবেলি লতা, আমৈ লতা।

লতি ঃ শুকলতি, জালুকলতি, কচুলতি, ছাগলতি

বাঁহ ঃ জাতি বাঁহ, ভলুকা বাঁহ, কাঁক বাঁহ, বেতী ।

আলু ঃ কাঠ আলু, কুঁৱৰী আলু, চিকৌ আল।

শাক ঃ মৰিচা শাক, লাই শাক, লফা শাক।

ম'ৰি ঃ পানীম'ৰি, জোটাম'ৰি, মিঠাম'ৰি

মৰা ঃ মিঠামৰা, টেঙামৰা, তিতামৰা, চেংমৰা।

টেঙা ঃ নলটেঙা, বটাটেঙা, টেঙেচি টেঙা।

কবি ঃ ফুলকবি, ওলকবি, বন্ধাকবি, চীনাকবি

লাই ঃ বৰ লাই, টকৌ লাই, মেৰ লাই, মৰাণ লাই

বিলাহী ঃ বৰ বিলাহী, কণ বিলাহী, তামুলী বিলাহী

বেঙেনা ঃ বৰ বেঙেনা, খৰুৱা বেঙেনা।

কোমোৰা ঃ জহা কোমোৰা, শিল কোমোৰা

লাউ ঃ জাতি লাউ, পানী লাউ, ৰঙা লাউ /

থেকেৰা ঃ কুঁজী থেকেৰা, বৰথেকেৰা, মাহী থেকেৰা।

কচু ঃ ওল কচু, মান কচু, তেলী কচু, নল কচু।

জলকীয়া ঃকণ জলকীয়া, খুদ জলকীয়া, বৰ জলকীয়া।

আম ঃ মাটিমিঠা আম, ৰহৰহীয়া আম, জবৰা আম

জামু ঃ বৰজামু, বগীজামু, গোলাপী জাম।

ডিমৰু ঃ মৌ ডিমৰু, খহটা ডিমৰু, লগুণ দিয়া ডিমৰু

বন ঃ দুবৰি বন, কেঞা বন, বৰচা বন।।

অন্যান্য নামবোৰ এনে — মাটিকাদুৰি, মাটিমাহ, লেচেৰা মাহ, কটাৰী ডবুৱা মাহ, মাটি কঁঠাল, মিৰিমাহ, মধুসোলেং, বৰ /সৰু মানিমনি, সোণ বৰিয়াল, হাতী কেৰেলা, ভাত কেৰেলা, তিতা কেৰেলা, উঁৰিকা উৰহী, কামতাল উৰহী, মান ধনীয়া, গঙ্গামূলা, ভগাকুলা, ৰান্ধনী সুৰগা, মৰাণ আদা, জাতি আদা, আম আদা, মৌ শৰালি, পাতেগজ, উলুকুঁৱৰী, চালকুঁৱৰী, সৰ্প গন্ধা, ৰামজখলা, যমলাখুটি, ৰিহাগছ, লাইজাবৰী, হাৰ ঘুনুচা, মাথাকথোকা ইত্যাদি।

ফল-মূল নতুবা তৰু-তৃণৰ নামকৰণৰ বেলিকা অসমীয়া মানুহে কল আৰু ধানৰ নামত যিমান কাব্যিক আৰু অলংকৃত

উপমাৰ প্ৰয়োগ কৰিছে তিমান আন ক'তো কৰা নাই যেন লাগে। ইবোৰৰ গঢ়-গাঁথনিৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যও কোনো গুণে কম নহয়। উদাহৰণ —

কলৰ নাম ঃ

বিশেষণ আৰু বিশেষণধৰ্মী শব্দ যোগে নিৰ্মিত ঃ

সোন্দাকল (সুগন্ধিত বাবে), ৰামকল / ভীমকল (ডাঙৰ প্ৰজাতিৰ বাবে), কাচকল (কেঁচাতে খায় বাবে), পুৰা কল (পুৰি অৰ্থাৎ ৰান্ধি খায় বাবে), মনোহৰ কল (ধুনীয়া বাবে), মালভোগ কল (ভোগত দিয়া হয় বাবে), সাগৰ চেনি / চেনিচম্পা (মিঠা বাবে), সেন্দুৰীয়া কল (সেন্দুৰ বৰণীয়া বাবে), অমৃত সাগৰ /জাহাজী কল (জাহাজেৰে সাগৰৰ সিপাৰৰ পৰা আমদানি কৰা বাবে), বনকল (বনত হয় বাবে) ইত্যাদি।

সেইদৰে শিলগুটীয়া, হাতীদঁতীয়া, জবকাদঁৰীয়া, মৌটুপীয়া, দীঘযোৰা, গোবিন্দ তুলসী, বৰতমণিৰ নিচিনাকৈ বজা কল, আঠিয়া কল, চপা আঠিয়া, কেতেকী সোন্দা, কেতেকী মালভোগ, শিমলু মনোহৰ, তুলসী মনোহৰ, ভোট মনোহৰ, বৰজাহাজী ইত্যাদিও কলৰে বিভিন্ন নাম।

অসমীয়া ধানৰ নামৰ বিচিত্ৰতা অতিশয় মন কৰিবলগীয়া। ধানযুক্ত নামৰ বাহিৰেও ব'ৰা, জহা, শালি আদি শব্দযুক্ত এশ-এবুৰি ধান (চাউল)ৰ নাম অসমীয়াত নিৰ্মিত হৈছে। যেনে —

ধান ঃ মাগুৰি ধান (ভোগ মাগুৰি, ক'লা মাগুৰি), ফৰমা ধান, নেঘেৰী ধান (বৰ নেঘেৰী, নেঘেৰী টেমা), গুণি ধান, ৰূপহী ধান, চকোৰা ধান (সৰু চকোৰা, বৰ চকোৰা)।

জহা ঃ ক'লা জহা, বগা জহা, মাগুৰি জহা, ভাবালি জহা, টুনী জহা, খৰিকা জহা, মাণিকী মধুৰী জহা ইত্যাদি।

বৰা ঃ আহু বৰা, লঠৌ বৰা, টঙনা /টাঙোন বৰা, পঁইতা বৰা, চকোৰা বৰা, ক'লা বৰা, গমিৰি বৰা, বকুল বৰা ইত্যাদি।

শালি ঃ অগ্নিশালি, লাহীশালি, বৰশালি, ক'লাশালি, বগাশালি, আখিশালি, মুগীশালি, ৰঙাশালি ইত্যাদি।

আহু ঃ আহুবৰা, ৰঙা আহু, বগা আহু

বাও ঃ তৰা বাও, সং বাও, দল বাও, চিলচিলী বাও, নডলীয়া বাও

কোমল ঃ চিংফৌ কোমল, জোঁৱাই কোমল

অন্যান্য ঃ পাখীচকৰি, বগীতৰা, চৰাইবুলি, চৰাইটুনী, বাট কপাহী, সুৱাগমনি, বগা সাগৰ ইত্যাদি।

বিভিন্ন পোক-পৰুৱা, মাছ-কাছ, চৰাই-চিৰিকটি, জীৱ-জন্তুৰ নামো এইদৰে সাধিত হোৱা। উদাহৰণ—

পোক ঃ মজা পোক, ভূৰ পোক, শূঁৰ পোক, মোৰ পোক, চৰহা পোক, সোঁৱাহী পোক ইত্যাদি।

পৰুৱা ঃ ৰঙা পৰুৱা, গুৰি পৰুৱা, টোকা পৰুৱা, আমৰলি পৰুৱা, জামৰলি পৰুৱা ইত্যাদি।

জোক ঃ চিনা জোক, পানী জোক ইত্যাদি।

সাপ ঃ গোমসাপ (সৌকা গোম, চেঙেলী গোম, আখৈয়া গোম, উলুৱা গোম), ঢোৰা সাপ ইত্যাদি।

কাছ ঃ দুৰা কাছ, উলু কাছ, বৰকাছ , বামুণী কাছ, বেং কাছ, শিল কাছ, ডলামূৰীয়া কাছ

অন্যান্য পোক-পৰুৱাৰ নাম (সাধিত শব্দ) ঃ ডালশলীয়া, কঠালগুটি, গঁতুৰা এন্দুৰ, পঁইতা চোৰা, বৰ মকৰা, বাঘ মকৰা, মাটিচেলা, গোমচেলা, কুঁজী বিছা, পাৰ্বতি, কটা বিছা, দিনকণা, ভুতুনী ম'হ, কুণকুণি মাখি, ভেনা মাখি, কুকুৰ মাখি, বোন্দা কেঁচু, জেলুকীয়া কেঁচু ইত্যাদি।

মাছ ঃ মিছামাছ, মোৰা মাছ, চেঙা মাছ, চেঙেলী মাছ, চিতল মাছ, নেৰিয়া মাছ, শাল মাছ, শোল মাছ ইত্যাদি।

চৰাই ঃ কপৌ চৰাই, ম'ৰা চৰাই (নাচনী ম'ৰা, উলুমৰা, দলম'ৰা), হালধীয়া চৰাই, টুনী চৰাই ইত্যাদি।

চৰাই শব্দাংশ নথকাকৈ অন্যান্য শব্দযুক্ত চৰাইৰ নাম (সাধিত শব্দ বা সংযুক্ত) — মাটিমাহী, বালিমাহী, বালিঘোঁৰা, গোবোৰ খোচোৰা, বাৰ্টেটোকা, কাঠৰোকা / খোলা, মাছৰোকা, ঢোঁৰা কাউৰী, পানী কাউৰী, মাটি ভাটৌ, পাকৈ ঢোৰা, কণামুচৰি, হাড়গিলা, বৰটোকোলা, তেলীয়া সাৰেং ইত্যাদি।

কপৌ ঃ শিল কপৌ, তিল কপৌ, শেত কপৌ, বালি কপৌ, ৰাম কপৌ, কটীয়া কপৌ।

বগ ঃ বৰ বগ, সৰু বগ, ম'হ বগ, আঁকুৰি বগ,

শালিকা ঃ দেও শালিকা, কাঠ শালিকা, ঘৰ শালিকা, চুটীয়া শালিকা, ৰাই শালিকা তু. জতুৱা ঠাঁচ ঃ বুঢ়া শালিকা (ই মাত নিশিকা)

হাঁহ ঃ দেওহাঁহ, ঘিলাহাঁহ, চীনাহাঁহ, ৰাজহাঁহ, খাৰহাঁহ, কচুহাঁহ, খন্তীয়া হাঁহ, শৰালি হাঁহ, পানী-হাঁহ

তু. জতুৱা ঠাঁচ ঃ গজলীয়া হাঁহ, কিনা হাঁহ (ৰ মঙহ), সোণৰ কণী পৰা হাঁহ

পহু ঃ শৰপহু, শহাপহু, সুগৰি পহু, কেমটাই পহু,

কেঁটেলা পহু তু. জতুৱা ঠাঁচ ঃ ভুচুংপহু, মৃগপহু

বাঘ ঃ টেঁকীয়াপতীয়া বাঘ, কুকুৰনেচীয়া বাঘ, লতা মেকুৰী / মাকৰি বাঘ, গোধাফুটুকী বাঘ, নাহফুটুকী বাঘ, হোকোৰা বাঘ তু. চোতাল বাঘিনী (পোক), নৰখাদক বাঘ।

গৰু ঃ বন-গৰু, গাই গৰু, দমৰা গৰু, ষাঁড় গৰু।

জতুৱা ঠাঁচ ঃ লাওমূৰা / মূৰী গৰু, উদঙীয়া গৰু।

সাধিত অন্যান্য জীৱ-জন্তুৰ নাম ঃ বনৰীয়া ম'হ, গোনা ম'হ, খেঁক শিয়াল, বন-বোন্দা, নলবৰা, হুতুৰি বৰা ইত্যাদি।

বিভিন্ন কাম-বন, সাঁ-সজুলি, সাজ-পাৰ, খোৱা-বোৱাৰ নামবোৰৰ ভাষাগত ৰূপ-সাধন অতি চমকপ্ৰদ। এইবোৰ যেনেকৈ নানা অলংকাৰেৰে বিভূষিত তেনেকৈ ৰূপতত্ত্বৰ বিধিৰে ৰীতিবদ্ধও। যেনে —

গাঁঠি ঃ মতা গাঁঠি, মাইকী গাঁঠি, ৰান্ধনী গাঁঠি, মোচৰা গাঁঠি, থোপা / টোপা গাঁঠি।

আনহাতে অৰ্থৰ ফালৰ পৰা লগুণ গাঁঠি, টিকণিৰ গাঁঠি, হাতৰ / ভৰিৰ খাৰু গাঁঠি আদি তেনে কিছুমান শব্দ।

মোৰ ঃ এটায়া মোৰ, দুটীয়া মোৰ, অজলা মোৰ, কৰুণা মোৰ, খোৱা বাছনি মোৰ, জাঁও মোৰ

পাগ ঃ মথুৰা পাগ, বৰপাগ, ফচৌপাগ, চিকণ পাগ, মোগলাই পাগ, কুহুমবুলীয়া পাগ, সোণৰ ফুল বছা পাগ ইত্যাদি।

চোলা ঃ নৰা চোলা, হলৌ চোলা, মিৰ্জাই চোলা, জালি চোলা, ফটুৱৈ চোলা, বুকুচোলা,

এঙা চোলা, ছগুণ চোলা, গোমচেং চোলা ইত্যাদি।

কাপোৰ ঃ বৰ কাপোৰ, তেল-কাপোৰ, চেলেং কাপোৰ, খনীয়া কাপোৰ

গামোচা ঃ পানী-গামোচা, বুটা বচা গামোচা, আঁচু দিয়া গামোচা, ফুলাম গামোচা, আনাকাটা গামোচা ইত্যাদি।

ৰিহা ঃ দহিঅলীয়া ৰিহা, গাৰিয়লী ৰিহা, আঁচুফুলীয়া ৰিহা, বৰৈ লগা ৰিহা, কেছ বছা ইত্যাদি।

মেখেলা ঃ গাৰিয়লি মেখেলা, কলীয়া মেখেলা, উকা মেখেলা, নিকা মেখেলা, থিয় মেখেলা,

পথালি মেখেলা, গাজ মেখেলা, মুগাৰ মেখেলা, পাটৰ মেখেলা ইত্যাদি।

খোপা ঃ লাহতী খোপা, লিগিৰী খোপা, ঘিলা খোপা, উধনীয়া খোপা, মালতী খোপা,

খলাডিলীয়া খোপা, নেঘেৰী খোপা, তেতেলী খোপা, এছ খোপা, টপনট / টাইনট খোপা ইত্যাদি।

ভাত ঃ পঁইতা / পন্তা ভাত, মাৰভাত, এৰেহা ভাত

জতুৱা ঠাঁচ ঃ বগা ভাত, সুদা ভাত

চাউল ঃ চুঙা চাউল, ভজা চাউল, কোমল চাউল

লাৰু ঃ আখৈ লাৰু, মুৰি লাৰু, খীৰৰ লাৰু, তিলৰ লাৰু, চিৰাৰ লাৰু

খৰিচা ঃ পকা খৰিচা, শুকান খৰিচা, জিম খৰিচা ইত্যাদি।

খাদ্যৰ ভিতৰত ছাগে পিঠাৰ সমান নাম আন কাৰোৰে নাই। অসমীয়াত প্ৰচলিত পিঠাৰ নামবোৰ এনে — ভাত পিঠা, খীৰ পিঠা, হেঁচা পিঠা, টেকেলি পিঠা (টেকেলি মুখত দিয়া, কেটলী মুখত দিয়া, ভাপত দিয়া), জাকিত দিয়া পিঠা ইত্যাদি।

দোলা ঃ কেঁকোৰা দোলা, আঁঠু ভঙা দোলা, ঢেকৰ লগোৱা দোলা, পৰ্হি / পাৰ্হি দোলা

আ-অলংকাৰৰ নাম —

বিৰি ঃ ঢোলবিৰি, জোনবিৰি, ঢৰীয়াবিৰি, শিলিখাবিৰি, মগৰমূৰী বিৰি, পাৰচকুৱা বিৰি ইত্যাদি।

খাৰু ঃ গামখাৰু, চিৰিখাৰু, খুচুৰীয়া / সচৰুৱা খাৰু, দেও খাৰু, মুঠি খাৰু, পটীয়া খাৰু ইত্যাদি।

আঙঠি ঃ শেনপহীয়া আঙঠি, জেঠানেজীয়া আঙঠি, মোহৰী আঙঠি, চিৰিপতা আঙঠি ইত্যাদি।

কেৰু ঃ জাং ফাই কেৰু (উকা, বাখৰুৱা, নেজেপতা), লংকেৰু, বৰৈ লগা কেৰু

মণি ঃ শিলিখা মণি, মতামণি, ধোপামণি, ফুটিমণি, লতামণি, নয়নমণি, পোৱালমণি,

মুকুতামণি, সাতঢৰীয়া সোণৰ মনি

অন্যান্য ঃ সাতেসৰী, চাকি শলাই, মৰাগুটীয়া, লোকাপাৰ, শিৰপতা, গলপতা, মগৰ দানা, কৰধনি, ন-সৰী, দুগদুগী / ডগডগী, চন্দ্ৰহাৰ, কাণফুল, কৰ্ণবালা, নাকফুলি, নাকফুটি, জাংপাই থুৰীয়া, সোণৰ / ৰূপৰ থুৰীয়া ইত্যাদি।

বাদ্য-যন্ত্ৰৰ নাম ঃ

তাল ঃ ৰামতাল, কৰতাল, খুঁটিতাল, ভোৰতাল

গগনা ঃ ৰামধন গগনা, লাহৰী গগনা / ৰূপহী গগনা

ঢোল ঃ বৰঢোল, জয়ঢোল, ঢেপাঢোল, পাতিঢোল, বিহুঢোল, ৰাজা ঢোল

বাঁহী ঃ গৰখীয়া বাঁহী, ছিফুং বাঁহী

শিঙা ঃ ৰণশিঙা, ৰামশিঙা তু. জতুৱা-ঠাঁচ ঃ ৰংশিঙা,

খংশিঙা

অন্যান্য ঃ বীৰঢাক, একতাৰা, দোতাৰা, টোকাৰী, জয়কালি, বীৰকালি, বৰকাঁহ

গৃহস্থালিৰ সা-সঁজুলি ঃ

ঘৰ ঃ পঁজা ঘৰ, জুপুৰী ঘৰ, চ'ৰাঘৰ, বৰঘৰ, মাৰল ঘৰ, শোৱনি ঘৰ, পাকঘৰ, ৰান্ধনী ঘৰ, আখল ঘৰ, গোহালি ঘৰ, ভঁৰাল ঘৰ, নামঘৰ, কীৰ্তন ঘৰ, ভেলা /হাৱলি ঘৰ, পকীঘৰ, চাংঘৰ, টঙীঘৰ, ৰভাঘৰ তু. কাৰেং ঘৰ, হোলোং ঘৰ, শিঙৰি ঘৰ, ৰংঘৰ, পাটঘৰ, দুমহলীয়া ঘৰ, দালান ঘৰ ইত্যাদি।

জতুৰা ঠাঁচ ঃ ৰঙাঘৰ, নাটঘৰ, বালিঘৰ, কাচঘৰ, দৰাঘৰ, কইনাঘৰ, প্ৰজা ঘৰ, ৰজাঘৰ

জাল ঃ টনি / পৰঙি জাল, আছাৰা জাল, টেঁকী জাল, কামি জাল, চাংলা জাল, ভেহেলী জাল, ফাঁচি জাল ইত্যাদি।

জতুৰা ঠাঁচ ঃ মকৰা জাল

ছান্দনী মৈটা (তামোল আদি গছত উঠিবলৈ জৰীৰে ভৰিত মৈটা সাজি লোৱা)

শাল / শালি ঃ টেঁকীশাল, তাঁতশাল, কুঁহিয়াৰশাল, গেঁৰাশালি, কমাৰশাল, পঢ়াশালি

চাল / চালি ঃ হেঁদালি চাল, শীতলী চাল, বাওচালি

চ'তি ঃ ভৰলুৱা চ'তি, ফুলচ'তি, সৰু চ'তি

মাৰি ঃ হেতামাৰি, সাঁকোমাৰি, সতিনীমাৰি, জখলামাৰি

খুঁটি ঃ ছাগলী খুঁটি, (যঁতৰৰ সঁজুলি), গৰকা খুঁটি (তাঁতৰ সঁজুলি), নিগনি খুঁটি (তাঁতৰ সঁজুলি)

তু. জতুৰা ঠাঁচ ঃ ঘাই খুঁটি, মাইলৰ খুঁটি (milestone)

কামী ঃ ম'ৰা কামী, হহুঁৰা কামী, চান্দনী কামী, ছাউনী কামী, ঘোঁৰা কামী, হৰা কামী, কেঁকোৰা /ককৰা কামী, ধেনুভেৰীয়া কামী

জৰী ঃ জোঁটজৰী, ডোৱাৰ জৰী

চাং ঃ ধোঁৰা চাং, মেৰ চাং, খৰি চাং, পানী চাং, পাভতী চাং, তোম চাং, চোৰ চাং।

চুঙা ঃ ব চুঙা, ফু দিয়া চুঙা, বাঁহৰ চুঙা

পীৰা ঃ বৰপীৰা, তামুলীপীৰা, খাটলি পীৰা, চালপীৰা, চামৰ পীৰা, ডুখুৰি / ডুখৰীয়া পীৰা

ঢৰা ঃ বৰ ঢৰা, মেৰ ঢৰা, পাটী ঢৰা, ঘূৰণীয়া চক ঢৰা

পেৰা ঃ বৰপেৰা, হাতনি পেৰা, চোৰ পেৰা

বটা ঃ বৰবটা, পাণবটা, বানবটা, শৰাইবটা, খুৰীবটা

বাটি ঃ বৰবাটি, সৰুবাটি, খুৰীবাটি, বানবাটি, হাতীখুজীয়া বাটি, মাইহাং বাটি

কাঁহী ঃ বানকাঁহী, বেলা / বেৰা কাঁহী ইত্যাদি।

থলুৱা ৰোগ-ব্যাধি আৰু বেমাৰ-আজাৰৰ নামো এইদৰে সাধিত হোৱা দেখা যায়। যেনে —

জ্বৰ ঃ ডোমজ্বৰ, সন্নিপাতজ্বৰ, তিয়াজ্বৰ, ভালুকজ্বৰ, ঘুঘুয়া ঘৰ, একৈয়া জ্বৰ, জ্বৰশুং

মুৰি ঃ টেঙামুৰি (লগা), এঙামুৰি (দিয়া)

মুই ঃ তেজমুই, বাঘমুই

ব্যাধি ঃ সেহালি ব্যাধি, সিলপট ব্যাধি, শঙ্কৰ ব্যাধি, ৰসভৰ ব্যাধি, মৰকুচিয়া ব্যাধি, বাত ব্যাধি, ফান্দনিয়া ব্যাধি, নাকতোৰ ব্যাধি, ধুপুনি ব্যাধি, তালুক ব্যাধি ইত্যাদি (সকলো ঘোঁৰাৰ ব্যাধি ঃ উৎস ঃ ঘোঁৰা নিদান)।

ৰোগ ঃ শলিলা ৰোগ, মুদ্ৰা ৰোগ, বেথক ৰোগ, জালোৱা ৰোগ, জক্ষ্মা ৰোগ, কুষ্ঠ ৰোগ, বৰ ৰোগ ইত্যাদি।

ৰাজপিৰা ঃঅৰা ৰাজপিৰা, কচোৰা ৰাজপিৰা, সিন্দুৰিয়া ৰাজপিৰা তু. চকুৰাজ

ভোকোলা / ভেকোলা ঃকাকুৰা ভেকোলা, কুয়া ভোকোলা, ঘোৰা ভোকোলা, গৰিয়া ভোকোলা

বাত ঃ চৌবাঙ্গি বাত, জিঞ্জিনিয়া বাত, জুতি বাত, ভৰিৰ বাত, জহৰ বাত।

জহৰ বাত ঃ অগু জহৰ বাত, খোৰা জহৰ বাত, জমা জহৰ বাত, দালিমা জহৰ বাত, পনিয়া জহৰ বাত ।

লেং ঃ বলিয়া লেং, আজোৰা লেং, পানীলেং

আই ঃ সৰু আই, মাজু আই, বৰ আই, আই ওলোৱা

ঘা ঃ নগা ঘা, বঙাল ঘা, কটা ঘা

খহু ঃ খুদখহু, মেছখহু, বৰখহু, টোপাখহু

গাম ঃ কছুৱা গাম, পুৰৈয়া গাম, চকলা গাম, ওফৰা গাম, পোৰা গাম ইত্যাদি।

সেইদৰে হাগনি, পানী লগা, ফুলপানী ছিগা, পিঠা খোৰা, শিয়ালগলা, শামুকীয়া, পানীচামৰি, কাণশূল, দাঁতশূল, এন্দুৰীয়া, ঘোঁৰাশলখা, মৌ বিচনীয়া, নখচুকীয়া / চকা, কপাহগুটীয়া, বগৰীগুটীয়া, কলগছীয়া, শিঙি মূৰীয়া, চেঙামুৰীয়া, কেঁচুমুৰীয়া, একশিৰা / একুহীয়া।

জৰা-ফুকা মন্ত্ৰ বা ফঁই-মাদুলিৰ নাম ঃ পানী কৰতি, গু

কৰতি, মুখ ভঙা, ধৰণী ধৰা বা তেজ ৰখা, পেট হনা-খোচা কৰা, চাঁহীয়ে ধৰা, আহুদি কৰা, কুজ্ঞান কৰা ইত্যাদি।

সামাজিক পৰ্ব / উৎসৱ-পাৰ্বন ঃ

বিয়া ঃ নোৱাই তোলনী (বিয়া), শান্তি বিয়া, আগবিয়া, পাছবিয়া, হাড় শুচি কৰা বিয়া, হোম পুৰা বিয়া ইত্যাদি।

বিহু ঃ ব'হাগ বিহু / ৰঙালী, কাতি / কঙালী বিহু, মাঘ / ভোগালী বিহু, মানুহ বিহু, গৰু বিহু, চেনেহী বিহু ইত্যাদি।

সবাহ ঃ আই সবাহ, বৰ সবাহ, অপেচৰী সবাহ, গৰখীয়া সবাহ, লখিমী (তোলা) সবাহ, গোপিনী সবাহ।

মেলা ঃ জোনবিল মেলা, জালিসৰা মেলা, বাৰুণী মেলা, সোসাঁই উলিওৱা মেলা।

পূজা ঃ লিঙ্গপূজা, যোনীপূজা, মাৰৈ / মনসা পূজা, কুমাৰী পূজা, আইপূজা, খেৰাই পূজা, বাইথ পূজা, ঘটপূজা, বাঁহপূজা ইত্যাদি।

বিভিন্ন সামাজিক ৰীতি-নীতি, লোকাচাৰ ঃ চোৰ পৰা, সম্বন্ধীয় মানুহৰ খোৱা, অজাতিৰ ঘৰত চাপিবলৈ যোৱা, লগত অহা (পো / জী), ধেমনী চপোৱা, বাটলু (এজনী) অনা, চপনীয়া ৰখা / চপাই ৰখা, হাড় শুচি নোহোৱা।

ন-খোৱা, ন-গোছা লোৱা / লগোৱা, আগ অনা / লখিমীৰ আগ অনা, জালুকীয়া খোৱা।

সকাম ঃ ডাঙৰীয়া সকাম, খেতৰ সকাম, মৃতকক দিয়া সকাম, জল ডাঙৰীয়া সকাম ইত্যাদি।

সেৱা ঃ বৰ সেৱা, ভকত সেৱা, ৰাতি সেৱা।

ভাওনা ঃ বাৰেচহৰীয়া ভাওনা, হেজাৰী ভাওনা, বোকাভাওনা, অংকীয়া ভাওনা।

নৃত্য-গীত / লোক পৰিবেশ্য কলা ঃ

নাম ঃ আই নাম, বিয়া নাম, বিহু নাম, নাগেৰা নাম, দিহা নাম, ধাই নাম, গোঁসানীৰ নাম, সুবচনীৰ নাম।

গীত ঃ গৰখীয়া গীত, নিচুকনি গীত, ওমলা গীত, কুঁহিয়াৰ পোৰ গীত, টুনী চৰাই খেদা গীত, হাতী ধৰা গীত, ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত, বদন বৰফুকনৰ গীত।

মালিতা / জুনা ঃ তাঁতীৰ জনা, পচলাৰ জুনা, নাহৰৰ জুনা, পৰুৱাৰ জুনা, কপাহৰ জুনা, ঢোলৰ মালিতা

ধেমালি ঃ সৰু ধেমালি, বৰ ধেমালি, ৰাগ ধেমালি, মান ধেমালি, নাট ধেমালি, ছোৰ / যোৰ ধেমালি।

খেল-ধেমালি ঃ বাঘ লাটুম, বাঘ-ঢাল, বাঘ-গৰু খেল, ঢোপ খেল, ঘিলা খেল, কড়ি খেল, কচুগুটি খেল।

যুঁজ ঃ কণীযুঁজ, শেন যুঁজ, কুকুৰা যুঁজ, ম'হ যুঁজ, হাতী যুঁজ, বুলিবুলি যুঁজ, মল্লযুঁজ।

চিকাৰ ঃ হাতী চিকাৰ, খেদা চিকাৰ, মেলা চিকাৰ, বাঘ চিকাৰ, পহু চিকাৰ।

নাও ঃ টুলুঙা নাও, মগৰ নাও, চৰা নাও, কপি নাও, বৰ নাও, ছৈ নাও, পালতৰা নাও, হিলাই নাও, জাপ নাও, চেলেঙী নাও, গলৈয়া নাও, জালোৱা নাও।

সাঁতোৰ ঃ চিলনী সাঁতোৰ, কাছ সাঁতোৰ, থিয় সাঁতোৰ, বগুৱা সাঁতোৰ, ডুব মৰা সাঁতোৰ, উভতা সাঁতোৰ।

খৰ ঃওলোটা খৰ, চকা খৰ মৰা, খৰলুটি মৰা, চিতখৰ

নৃত্য-গীত ঃ

ওৰা ঃ মতা ওৰা, মাইকী ওৰা, সমান ওৰা, কাতি ওৰা।

পাক ঃ মাইকী পাক, ছিতা পাক, গোৰ পাক, উঘা পাক, চেৰেকী পাক, কাতিপাক, টুকুৰা।

জাঁপ ঃ বাঘ জাঁপ, উঠাল জাঁপ, টুকুৰ জাঁপ, ভেকোলা জাঁপ, ওৰাত জাঁপ ইত্যাদি।

খোজ ঃ বহামান খোজ, সচাৰ, খোজ, ভাঙনি খোজ, ৰাজ খোজ, ওৰা খোজ, বংশীবাদন ।

জুতি ঃ ওৰাৰ জুতি, কাতি জুতি, অধচন্দ্ৰ জুতি, চতুৰ জুতি, আঁকোৱাল জুতি, ঘূৰা জুতি, সম্পূৰ্ণ জুতি।

চোচা ঃ কাতি চোচা, সমান চোচ, সন্মুখ চোচা।

নৃত্য / নাচ ঃ চালি নাচ, ঝুমুৰা নাচ, সূত্ৰধাৰী নৃত্য, সত্ৰীয়া নৃত্য, কুলা বুঢ়ী নাচ, বহুৱা নাচ / নৃত্য, দেওদনী নৃত্য, দেৱদাসী নৃত্য, ঝুমুৰ নৃত্য, নটুৱা নাচ, বিহুনাচ, পানী-পৰুৱা নাচ, ভালুক নাচ।

ছেও ঃ খৰ ছেও, হুৰালি ছেও, বুঢ়া বিহু ছেও, পানীতোল ছেও, কছাৰী ছেও, নাচনী ওলোৱা ছেও ইত্যাদি।

০০০

# গাৰোসকলৰ পৰিৱৰ্ত্তনমুখী সমাজ ব্যৱস্থা

ড° বিমল মজুমদাৰ
সহযোগী অধ্যাপক, অসমীয়া ৰিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

সমাজ পৰিবৰ্তন সমাজতত্বৰ এটি অবিচ্ছেদ্য অঙ্গ। পৰিৱৰ্তনেই পৃথিৱীৰ অপৰিৱৰ্তনীয় নিয়ম আধুনিকতাৰ চৰিত্ৰ নিৰ্ণয়ত বিশ্বাস কৰা হয় যে- যিকোনো বস্তুৰে পৰিৱৰ্তন হ'ব পাৰে বা পৰিৱৰ্তন হোৱা উচিত।[1] সময়ৰ গতিত প্ৰতিখন সমাজেই কম-বেছি পৰমাণে পৰিৱৰ্তন হৈ থাকে। পৰিৱৰ্তন এক চিৰন্তন প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়া অন্তহীন। অতীত, বৰ্তমান আৰু ভৱিষ্যত - এই তিনিওকালতে পৰিৱৰ্তন চিৰবিদ্যমান। অৱশ্যে এই পৰিৱৰ্তনৰ ধাৰা বা মাত্ৰা সদায়েই একে নহয়। কেতিয়াবা পৰিৱৰ্তনৰ গতি খৰতকীয়া আৰু কেতিয়াবা লেহেমীয়া। সাধাৰণতে আধুনিক সমাজ তথা নগৰ অঞ্চলত পৰিবৰ্তনৰ গতি খৰতকীয়া। কিন্তু পাহাৰীয়া বা ভিতৰুৱা অঞ্চলত (isolated area), বিশেষকৈ জনজাতীয় সমাজত পৰিৱৰ্তনৰ গতি মন্থৰ। আন্দমান আৰু নিকোবৰ দ্বীপপুঞ্জৰ আদিবাসীসকলে এতিয়াও প্ৰায় আদিম মানুহৰ দৰে বসবাস কৰি আছে। এনেবোৰ সমাজ শিক্ষা-দীক্ষা, যাতায়ত, প্ৰযুক্তিবিদ্যা আদিৰ স্পৰ্শ নকৰাৰ ফলত পৰিৱৰ্তনৰ গতি তেনেই লেহেমীয়া। খৰতকীয়াই হওঁক বা লেহেমীয়াই হওঁক সামাজিক পৰিৱৰ্তন এক বিশ্বব্যাপক প্ৰক্ৰিয়া। এই প্ৰসঙ্গত Heraclitus - এ কৈছে "You can not step twice into the same river, for other waters are continually flowing on."[2]

ভাৰতবৰ্ষত যিকেইটা জনজাতিয়ে মাতৃসূত্ৰীয় (matri-lineal) সমাজ ব্যৱস্থাৰ মাধ্যমত স্বকীয়, এতিয়াও অক্ষুন্ন ৰাখিবলৈ সক্ষম হৈছে, তাৰে ভিতৰত মেঘালয় ৰাজ্যৰ অন্তৰ্গত গাৰোসকল অন্যতম। এওঁলোকৰ বৈচিত্ৰ্যময় মাতৃ সূত্ৰীয় সমাজ ব্যৱস্থা, উত্তৰাধিকাৰী আইন, বিবাহ-প্ৰথা আদিয়ে দেশী-বিদেশী পণ্ডিত, সমাজ বিজ্ঞানী তথা নৃতত্ববিদসকলৰ মাজত বেছ কৌতুহলৰ উদ্ৰেক কৰিছে। গাৰোপাহাৰ জিলা কেইখন মেঘলায় ৰাজ্যৰ পশ্চিম সীমাত আৰু অসমৰ দক্ষিণ-পশ্চিম কোণত অৱস্থিত। গাৰোপাহাৰ এসময়ত অবিভক্ত অসমৰেই অন্তৰ্ভুক্ত আছিল। বৃটিছ শাসনৰ আৰম্ভণিৰ পৰা ১৮৬৯ চনলৈ সমগ্ৰ গাৰোপাহাৰ অসমৰ গোৱালপাৰা জিলাৰ অধীনত আছিল। ১৯৭১ চনত সুকীয়া মেঘালায় ৰাজ্যৰ স্থাপন হোৱাৰ লগে লগে গাৰোপাহাৰ অসমৰ পৰা আঁতৰি গৈ মেঘলায় ৰাজ্যৰ লগ লাগিল। মেঘালয় ৰাজ্য স্থাপন হোৱাৰ লগে লগে গাৰোসকল ভাৰতৰ ৰাজনৈতিক মানচিত্ৰত এক সুকীয়া স্থানৰ অধিকাৰী হ'ল। বিংশ শতিকাৰ প্ৰথম দশক পৰ্যন্ত গাৰো সম্প্ৰদায় বৃহত্তৰ ভাৰতীয় সংস্কৃতিৰ প্ৰভাৱৰ পৰা আঁতৰত আছিল আৰু সেইবাবেই তেওঁলোকৰ পৰম্পৰাগত সংস্কৃতি বহু পৰিমাণে আদিম অৱস্থাত আছিল। আজি কিন্তু সেই সংস্কৃতিসমূহৰ গতি পৰিৱৰ্তন হৈছে আৰু বৃহত্তৰ ভাৰতীয় সংস্কৃতি আৰু বিশ্বসংস্কৃতিৰ লগত ক্ৰমবৰ্দ্ধমান যোগসূত্ৰ স্থাপিত হৈছে। লগে লগে এওঁলোকৰ বস্তুগত সংস্কৃতিলৈ পৰিবৰ্তন আহি পৰিছে। স্বাধীনতাৰ পিছৰ কালছোৱাত গাৰোপাহাৰ জিলাত গণতান্ত্ৰিত শাসণ ব্যৱস্থা প্ৰৱৰ্তন হোৱাৰ লগে লগে গাৰো সংস্কৃতিৰ এটা নতুন যুগৰ সূচনা হৈছে। বৃটিছৰ সামন্তবাদী নীতি অনুযায়ী গাৰোসকলক ভাৰতৰ অন্যান্য সম্প্ৰদায়ৰপৰা পৃথক কৰি ৰাখিবলৈ প্ৰয়াস কৰা হৈছিল। শিক্ষা, যাতায়ত, সুবিধা আদিৰ উন্নতিৰ বাবে ঐকান্তিক চেষ্টা চলোৱা হোৱা নাছিল। স্বাধীনতাৰ আগলৈকে গাৰো সংস্কৃতি আদিম সংস্কৃতিৰ বাহক হৈ আছিল। স্বাধীনতাৰ আগৰ কালছোৱাত গাৰোসকলৰ মাজত যি অলপ আধুনিকতাৰ সাঁচ পৰিছিল, সি আছিল খ্ৰীষ্টিয়ান সকলৰ অৱদান। কিন্তু এই আধুনিক ভাৱধাৰা গাৰো-খ্ৰীষ্টিয়ানসকলৰ ভিতৰতে সীমাবদ্ধ আছিল। তদুপৰি এই আধুনিক ভাৱধাৰা গ্ৰহণ কৰোঁতাসকলতকৈ দিওঁতাসকলৰ ওপৰতহে অধিক নিৰ্ভৰ কৰিছিল।

**শিক্ষা বস্তুত ঃ** প্ৰাথমিক স্তৰতে আৱদ্ধ আছিল। সাহিত্য

ধৰ্মৰ ভিৰততে সীমাবদ্ধ আছিল। সাংস্কৃতিক আদান-প্ৰদান একমুখী আছিল। শ্বেতাঙ্গসকলে নিজ সংস্কৃতিৰ কেইটামান বছা বছা উপাদান গাৰোসকলক দিছিল আৰু গাৰোসকলে বৃহত্তৰ ভাৰতীয় সংস্কৃতিৰ লগত কোনো যোগাযোগ নথাৰ বাবে সেই সংস্কৃতিৰ উপাদান আহৰণ কৰিবলৈ কোনো সুযোগ নাপাইছিল। কিন্তু স্বাধীনতাৰ পৰবৰ্ত্তীকালত গাৰোসকলৰ মাজলৈও পৰিৱৰ্তনৰ ঢৌ আহিল। এই ঢৌৱে সমাজ জীৱনলৈ কি নতুনত্ব আনিলে সেইকথা আলোচনাৰ লগতে পৰিৱৰ্তনৰ ধামখুমীয়াৰ মাজতো গাৰোসকলে কেনেদৰে তেওঁলোকৰ নিজৰ পৰম্পৰা অক্ষুন্ন ৰাখিবলৈ সমৰ্থ হৈছে সেইকথা এই আলোচনাৰ যোগেৰে ফঁহিয়াই চোৱা হ'ব।

গাৰো পাহাৰত বৃটিছ শাসন প্ৰৱৰ্ত্তিত হোৱাৰ লগে লগে পৰম্পৰাগত শাসন ব্যৱস্থাৰ পৰিৱৰ্তন ঘটাইছিল। প্ৰতি গাঁৱতে একোজনকৈ 'নোকমা' (গাঁওবুঢ়া) নিয়োগ কৰি কৰ সংগ্ৰহৰ ব্যৱস্থা কৰিছিল। লগতে মৌজাদাৰ আৰু লস্কৰো নিয়োগ কৰিছিল। কিন্তু স্বাধীনতা লাভৰ লগে লগে গাৰোপাহাৰ জিলা ষষ্ঠ তালিকাভূক্ত জিলা ৰূপে পৰিগণিত হ'ল। ষষ্ঠ তপশীলৰ প্ৰধান গুৰুত্ব হ'ল জিলাখনৰ ভিতৰতে এটা আধুনিক গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা। এই ব্যৱস্থাৰ দ্বাৰা সাধাৰণ ভোটাধিকাৰৰ ভিত্তিত ৰাইজৰ প্ৰতিনিধিৰে এখন জিলা পৰিষদ গঠন কৰা হ'ল। জিলা পৰিষদৰ দৈনন্দিন কাম চলাবলৈ জিলা পৰিষদলৈ নিৰ্বাচিত সভ্যসকলৰ মাজৰ পৰা বহুমতৰ ভিত্তিত এখন কাৰ্যকৰী পৰিষদ গঠন কৰি জিলা পৰিষদৰ শাসনৰ দায়িত্ব বহত কৰিবৰ বাবে এগৰাকী মুখ্য কাৰ্যনিৰ্বাহক আৰু তেওঁক সহায় কৰিবৰ বাবে কেইগৰাকীমান কাৰ্যনিৰ্বাহক সদস্যৰ ওপৰত ভাৰ দিয়া হ'ল। লস্কৰ, নোক্‌মা আদিৰ নিয়োগ , সামাজিক ৰীতি-নীতিৰে বিচাৰ ক্ষমতা আদি বহুতো গুৰুত্বপূৰ্ণ বিষয়ক ক্ষমতা জিলাৰ বৰচাহাবৰ হাতৰ পৰা জিলা পৰিষদৰ হাতলৈ হস্তান্তৰ কৰা হ'ল। ইয়াৰ উপৰি প্ৰাথমিক শিক্ষা, বজাৰ পৰিচালনা, ৰাস্তা-ঘাট নিৰ্মাণ আদি উন্নয়নমূলক কাম হাতত লবলৈ জিলা পৰিষদক সুবিধা দিয়া হ'ল। জিলা-পৰিষদৰ দৈনন্দিন কাম চলাবৰ বাবে মাটিৰ খাজনাৰ বাহিৰেও জিলাত আন আন কৰ লগাই ধন সংগ্ৰহৰ ক্ষমতা দিয়া হ'ল। গাৰোপাহাৰ জিলা পৰিষদে এই সকলো কাম হাতত লোৱাৰ পিছত সাধাৰণ ৰাইজৰ মনত ৰাজনৈতিক চেতনাৰ উদয় হৈছে। কাৰণ জিলা পৰিষদ ৰাইজৰ নিজৰ প্ৰতিনিধিৰে গঠিত আৰু পৰিষদৰ প্ৰত্যেক সদস্যই প্ৰতি পাঁচ বছৰৰ মূৰত এবাৰকৈ ৰাইজৰ বিচাৰৰ বাবে থিয় হ'বলগীয়া হয়।

১৯৪৭ চনত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে। সেই সময়ত নাগালেণ্ড, মণিপুৰ, মেঘালয়, ত্ৰিপুৰা, মিজোৰাম, অৰুণাচলে, সুকীয়া ৰাজ্যৰ মৰ্যদা লাভ কৰা নাছিল। এই আটাইবোৰ 'অসম' ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল আৰু সেই সময়ত অসমৰ ৰাজধানী আছিল শ্বিলং। কিন্তু ১৯৫৪ চনৰ পৰা পাৰ্বত্য অঞ্চলকেইটাই সুকীয়া ৰাজ্যৰ দাবীত আন্দোলনৰ পথ গ্ৰহণ কৰিছিল আৰু সেই আন্দোলনৰ গুৰি ধৰিছিল উইলিয়ামচন চাংমাই আৰু তেঁৱেই সুকীয়া মেঘালয় ৰাজ্য গঠন হোৱা প্ৰথম গৰাকী মুখ্যমন্ত্ৰী হোৱাৰ সন্মানো লাভ কৰিছিল। স্বাধীনতাৰ আগলৈকে গাৰো সম্প্ৰদায় বৃহত্তৰ ভাৰতীয় তথা পাশ্চাত্য সংস্কৃতিৰ প্ৰভাৱৰ পৰা আঁতৰত আছিল আৰু সেইবাবেই তেওঁলোকৰ পৰম্পৰাগত সংস্কৃতি বহু পৰিমাণে আদিম অৱস্থাত আছিল। কিন্তু আজি সেই সংস্কৃতিসমূহ গতি পৰিৱৰ্তন হৈছে আৰু সেইবোৰ বৃহত্তৰ ভাৰতীয় সংস্কৃতি তথা বিশ্ব সংস্কৃতিৰ লগত ক্ৰমবৰ্দ্ধমান যোগসূত্ৰ স্থাপন হৈ আহিছে। বহিৰ্জগতৰ লগত দ্ৰুত সংযোগ স্থাপনো গাৰো সংস্কৃতিৰ পৰিবৰ্তনৰ অন্যতম কাৰণ।

পুৰণিকলীয়া গাৰো গাঁওবোৰত নিজৰ প্ৰয়োজনীয় চাহিদা গাঁৱৰ উৎপাদনেৰেই পূৰণ কৰিছিল। মুদ্ৰাৰ প্ৰচলন নাছিল। এতিয়া গাঁওবোৰলৈ ৰাস্তা-ঘাট বা যাতায়তৰ উন্নতি হোৱাৰ লগে লগে বেহা-বেপাৰৰ সম্প্ৰসাৰণ হৈছে আৰু গাৰোপাহাৰ পৃথিৱীৰ অৰ্থনীতিৰ লগত জড়িত হৈ পৰিছে। এতিয়া উৎপাদনৰ কিছু অংশ মুদ্ৰাৰ বিনিময়ত বাহিৰৰ বেপাৰীক দিয়া হয়। সেই মুদ্ৰাৰে যিবোৰ বস্তু তেওঁলোকে উৎপাদন কৰিব নোৱাৰে, যেনে- কেৰাচিন, চেনী, চাহপাত আদি ক্ৰয় কৰে। গতিকে গাৰো অৰ্থনীতি এতিয়া মুদ্ৰাৰ ওপৰত নিৰ্ভৰশীল। আনহাতে তেওঁলোকে যিবোৰ বস্তু উৎপাদন কৰে, যেনে- কপাহ, মৰাপাট, আদা আদি বহিৰ্জগতত চাহিদা থকা বাবে মুদ্ৰাৰ বিনিময়ত বিক্ৰী কৰে। এনেদৰে প্ৰথম অৱস্থাত বিনিময় প্ৰথাৰ পৰা মুদ্ৰা প্ৰথালৈ গাৰো অৰ্থনীতি পৰিৱৰ্তন সাধন হৈছে। আনহাতে ঝুমখেতিৰ অৱনতিয়েও গাৰো অৰ্থনীতিলৈ ভালেখিনি পৰিৱৰ্তন আনিছে। এক বিস্তৃত অঞ্চলত তাকৰ জনসংখ্যা থাকিলেহে ঝুমখেতিৰ দ্বাৰা জীৱিকা নিৰ্বাহ কৰা সম্ভৱ। কাৰণ ঝুমখেতি এবাৰ খেতি কৰাৰ পিছত মাটিডোখৰ দহৰ পৰা পোন্ধৰ বছৰলৈ চন পেলাই ৰাখিব পাৰিলেহে উৰ্বৰা শক্তি লাভ কৰি পৰিশ্ৰম অনুপাতে শস্য উৎপাদন হয়। গাৰো